# উদ্ভিদ বৈচিত্ৰ্য আৰু কৃষক অধিকাৰ সুৰক্ষা অধিনিয়ম, ২০০১

**সন্মিলন দেশসমূহৰ নাগৰিকৰ পঞ্জীয়নৰ বাবে আবেদন সম্বন্ধিত বিশেষ উপবন্ধবোৰ।**

৩১। (১) এটা চুক্তিৰ পৰিপূৰ্ণকৰণৰ উদ্দেশ্যে, ভাৰতবৰ্ষৰ বাহিৰৰ কোনো দেশৰ সৈতে সন্মিলন বা ব্যৱস্থাপন, ইয়াৰ নিজা নাগৰিকলৈ মঞ্জুৰ কৰা দৰে সদৃশ বিশেষাধিকাৰ, ভাৰতৰ নাগৰিকক দিবলৈ সমৰ্থ হয়, কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰ অধিসূচনা দ্বাৰা, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে এনে দেশক সন্মিলন দেশ বুলি ঘোষণা কৰিব পাৰে।

(২) য'ত এজন ব্যক্তিয়ে এটা বৈচিত্ৰ্যলৈ এজন প্ৰজনকৰ অধিকাৰৰ মঞ্জুৰীৰ বাবে বা এখন সন্মিলন দেশত বৈচিত্ৰ্যৰ চৰকাৰী পঞ্জীত এনে বৈচিত্ৰ্যৰ প্ৰবিষ্টিৰ বাবে এখন আবেদন দিয়ে আৰু ধাৰা ১৪ বা ধাৰা ২৩ৰ অধীনত সেই ব্যক্তিক তেওঁৰ হকে আবেদন দিবলৈ হকদাৰ হোৱা কোনো ব্যক্তিয়ে সন্মিলন দেশত আবেদন দিয়া তাৰিখৰ পিছত বাৰ মাহৰ ভিতৰত ভাৰতবৰ্ষত এনে বৈচিত্ৰ্যৰ পঞ্জীয়নৰ বাবে আবেদন কৰে, এনে বৈচিত্ৰ্য যদিহে এই অধিনিয়মৰ অধীনত, পঞ্জীভুক্ত হয়, সন্মিলন দেশত আবেদন কৰা তাৰিখ ৰূপে পঞ্জীভুক্ত হ'ব আৰু সেই তাৰিখক, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে পঞ্জীয়নৰ তাৰিখ বুলি গণ্য কৰা হ'ব।

(৩) য'ত এটা বৈচিত্ৰ্যলৈ প্ৰজনকৰ অধিকাৰ মঞ্জুৰীৰ বাবে বা দুই বা ততোধিক সন্মিলন দেশত বৈচিত্ৰ্যৰ চৰকাৰী পঞ্জীত এনে বৈচিত্ৰ্যৰ প্ৰবিষ্টিৰ বাবে আবেদন দিয়া হয়, উপ-ধাৰা (২)ত নিৰ্দ্দেশিত বাৰ মাহৰ কালছোৱা সেই তাৰিখৰ পৰা গণনা কৰা হ'ব যি তাৰিখত আগতীয়া বা অতি আগতীয়াকৈ আবেদনবোৰ কৰা হৈছিল।

(৪) এই অধিনিয়মৰ কোনো কথাই, এই অধিনিয়মৰ অধীনত সুৰক্ষিত হোৱাৰ অন্যথা অধিকাৰ অতিলঙ্ঘনৰ বাবে এটা পঞ্জীভুক্ত বৈচিত্ৰ্যৰ প্ৰজনকক হকদাৰ নকৰিব যিটোৱে এই অধিনিয়মৰ অধীনত পঞ্জীয়নৰ আবেদনৰ তাৰিখৰ পূৰ্ব্বে ঘটিছিল।

**পৰম্পৰতাৰ বিষয়ে উপবন্ধ।**

৩২। য'ত ধাৰা ৩১ৰ উপ-ধাৰা (১)ৰ অধীনত কেন্দ্ৰীয় চৰকাৰে, এইমৰ্ম্মে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা ঘোষণা কৰা কোনো আদেশে, এটা বৈচিত্ৰ্যৰ পঞ্জীয়ন আৰু সুৰক্ষাৰ ক্ষেত্ৰত, ইয়াৰ নিজা নাগৰিকক সম্বন্ধিত কৰা দৰে একে অধিকাৰ ভাৰতীয় নাগৰিকলৈ সম্বন্ধিত নকৰে, এনে দেশৰ কোনো নাগৰিকে এটা বৈচিত্ৰ্যৰ পঞ্জীয়নৰ বাবে আবেদন কৰিবলৈ হয় অকলে বা কোনো আন ব্যক্তিৰ সৈতে যৌথভাৱে হকদাৰ নহ'ব বা এই অধিনিয়মৰ অধীনত এটা পঞ্জীভুক্ত বৈচিত্ৰ্য লাভ কৰিবলৈ হকদাৰ নহব।

## অধ্যায়–V

## প্ৰমাণপত্ৰৰ সমৰ্পণ আৰু প্ৰত্যাহাৰ আৰু পঞ্জীৰ সংশোধন আৰু শুদ্ধতা

**পঞ্জীয়নৰ প্ৰমাণপত্ৰৰ সমৰ্পণ।**

৩৩। (১) এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত এটা বৈচিত্ৰ্যৰ এজন প্ৰজনকে পঞ্জীয়কলৈ বিহিত ৰীতিত এখন সূচনা দি যি কোনো সময়ত, তেওঁৰ পঞ্জীয়নৰ প্ৰমাণপত্ৰ সমৰ্পণ কৰিবলৈ প্ৰস্তাৱ দিব পাৰে।

(২) য'ত এনে এটা প্ৰস্তাৱ দিয়া হয়, পঞ্জীয়কে বিহিত ৰীতিত এনে প্ৰমাণপত্ৰৰ সম্বন্ধীয় প্ৰত্যেক পঞ্জীভুক্ত এজেণ্ট বা পঞ্জীভুক্ত অনুজ্ঞাপত্ৰধাৰীক সূচনা দিব।

(৩) এনে যিকোনো এজেণ্ট বা অনুজ্ঞাপত্ৰধাৰীয়ে এনে অধিসূচনাৰ পিছত বিহিত অবধিৰ ভিতৰত, তেওঁৰ বিৰোধকৰ পঞ্জীয়কলৈ সমৰ্পণৰ জাননী দিব পাৰে আৰু য'ত সূচনা দিয়া হ'ল, পঞ্জীয়কে এনে বৈচিত্ৰ্যৰ প্ৰজনকলৈ এনে সূচনাৰ বিষয়বস্তুৰ জাননী দিব।

(৪) যদিহে পঞ্জীয়কে, আবেদক আৰু সকলো প্ৰতিবাদীক শুনিবলৈ ইচ্ছুক হয়, শুনানী লোৱাৰ পিছত সন্তুষ্ট হয় যে পঞ্জীয়নৰ প্ৰমাণপত্ৰ উচিতৰূপে সমৰ্পিত কৰা হৈছে, তেওঁ প্ৰস্তাৱ গ্ৰহণ কৰিব পাৰে আৰু আদেশৰ দ্বাৰা পঞ্জীয়নৰ প্ৰমাণপত্ৰ প্ৰত্যাহাৰ কৰিব পাৰে।

**কেতবোৰ আধাৰৰ ওপৰত সুৰক্ষাৰ প্ৰত্যাহাৰ।**

৩৪। এই অধিনিয়মত থকা উপবন্ধাৱলীৰ সাপেক্ষে, এটা বৈচিত্ৰ্যৰ ক্ষেত্ৰত এজন প্ৰজনকলৈ মঞ্জুৰী কৰা সুৰক্ষা, কোনো স্বাৰ্থজড়িত ব্যক্তিৰ এখন আবেদনৰ ওপৰত বিহিত ৰীতিত, নিম্নলিখিত আধাৰৰ যিকোনোটোৰ ওপৰত প্ৰাধিকাৰৰ দ্বাৰা প্ৰত্যাহাৰ কৰিব পাৰে, অৰ্থাৎ –

(ক) পঞ্জীয়নৰ প্ৰমাণপত্ৰৰ মঞ্জুৰী আবেদকৰ দ্বাৰা দিয়া অশুদ্ধ তথ্যৰ ওপৰত আধাৰিত হৈছে;

(খ) পঞ্জীয়নৰ প্ৰমাণপত্ৰ এনে এজন ব্যক্তিলৈ মঞ্জুৰী কৰা হৈছে যিজন এই অধিনিয়মৰ অধীনত সুৰক্ষাৰ বাবে যোগ্য নহয়;

(গ) প্ৰজনকে এই অধিনিয়মৰ অধীনত পঞ্জীয়নৰ বাবে অপেক্ষিত কৰা দৰে এনে তথ্য, দস্তাবেজ বা সামগ্ৰী পঞ্জীয়কক উপবন্ধিত কৰা নাছিল;

(ঘ) প্ৰজনকে বৈচিত্ৰ্যৰ এটা বৈকল্পিক আখ্যা উপবন্ধিত কৰিবলৈ অসফল হৈছে, যিটো পঞ্জীয়কৰ পঞ্জীয়নৰ বিষয়বস্তু হয়, যি ক্ষেত্ৰত পঞ্জীয়কলৈ উপবন্ধিত কৰা এনে বৈচিত্ৰ্যৰ পূৰ্ব আখ্যা, এই অধিনিয়মৰ অধীনত পঞ্জীয়নৰ বাবে অনুজ্ঞেয় নহয়;

(ঙ) প্ৰজনকে এজন ব্যক্তিক আৱশ্যকীয় বীজ বা প্ৰসাৰ সামগ্ৰী উপবন্ধিত কৰা নাছিল যিজনলৈ, বৈচিত্ৰ্যৰ সম্বন্ধত ধাৰা ৪৭ৰ অধীনত এখন বাধ্যতামূলক অনুজ্ঞাপত্ৰ জাৰি কৰা হয়, যিটোৰ ক্ষেত্ৰত পঞ্জীয়ন প্ৰমাণপত্ৰ এনে প্ৰজনকলৈ জাৰি কৰা হৈছে;

(চ) প্ৰজনকে এই অধিনিয়মৰ উপবন্ধাৱলী বা ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলী বা বিনিয়মাৱলী অনুপালন কৰা নাছিল;

(ছ) প্ৰজনকে এই অধিনিয়মৰ অধীনত জাৰি কৰা প্ৰাধিকাৰৰ নিৰ্দ্দেশনা অনুপালন কৰিবলৈ অসফল হৈছে;

(জ) পঞ্জীয়নৰ প্ৰমাণপত্ৰৰ মঞ্জুৰী জনসাধাৰণৰ স্বাৰ্থত নহয়ঃ

পৰন্তু এনে কোনো সুৰক্ষা প্ৰত্যাহাৰ কৰা নহ'ব, যদিহে প্ৰজনকক আপত্তি দাখিল কৰিবলৈ আৰু বিষয়টোত শুনানীৰ এটা যুক্তিসংগত সুযোগ দিয়া নহয়।

**বাৰ্ষিক মাচুলৰ আদায় আৰু তাৰ ব্যতিক্ৰমত পঞ্জীয়ন বাজেয়াপ্তকৰণ।**

৩৫। (১) প্ৰাধিকাৰীয়ে, কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমোদনসহ চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ অধীনত সেইবোৰ পঞ্জীয়ন নৱীকৰণৰ বাবে বৈচিত্ৰ্যৰ ক্ষেত্ৰত এনে প্ৰজনক, এজেণ্ট বা যথাস্থিতি অনুজ্ঞাপত্ৰধাৰীৰ দ্বাৰা লাভ কৰা লাভালাভ বা ৰাজহৰ ভিত্তিত অৱধাৰিত এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত বৈচিত্ৰ্যৰ প্ৰত্যেক প্ৰজনক, এজেণ্ট বা তাৰ অনুজ্ঞাপত্ৰধাৰীৰ দ্বাৰা বাৰ্ষিকভাবে আদায় দিব লগা এটা মাচুল আৰোপ কৰিব পাৰে।

(২) যদিহে কোনো প্ৰজনক, এজেণ্ট বা অনুজ্ঞাপত্ৰধাৰীয়ে দুটা অনুক্ৰমিক বৰ্ষত, বিহিত ৰীতিত, সেই উপ-ধাৰাৰ অধীনত তেওঁলৈ আৰোপিত উপ-ধাৰা (১)ত নিৰ্দ্দেশিত মাচুল জমা দিবলৈ অসফল হয়, প্ৰাধিকাৰীয়ে এনে প্ৰজনক, এজেণ্ট বা অনুজ্ঞাপত্ৰধাৰীলৈ সূচনা জাৰি কৰিব আৰু এনে সূচনাৰ জাৰিকৰণত যদিহে তেওঁ জাননী থকা নিৰ্দ্দেশনা অনুপালন কৰিবলৈ অসফল হয়, প্ৰাধিকাৰীয়ে এনে প্ৰজনক বা এজেণ্ট বা অনুজ্ঞাপত্ৰধাৰীলৈ জাৰি কৰা পঞ্জীয়নৰ প্ৰমাণপত্ৰৰ অধীনত গ্ৰহণযোগ্য সকলো সুৰক্ষা বাজেয়াপ্ত বুলি ঘোষণা কৰিব।

(৩) উপ-ধাৰা (১)ৰ অধীনত আৰোপিত মাচুলৰ বকেয়াক ভূমি ৰাজহৰ বকেয়া বুলি গণ্য কৰা হ'ব আৰু তদনুসাৰে পুনৰ আদায়যোগ্য হ'ব।

**পঞ্জীয়ন বাতিল বা পৰিৱৰ্ত্তন কৰিবলৈ আৰু পৰিশোধন কৰিবলৈ ক্ষমতা।**

৩৬। (১) কোনো ক্ষোভিত ব্যক্তিয়ে বিহিত ৰীতিত পঞ্জীয়কলৈ দিয়া এখন আবেদনৰ ওপৰত পঞ্জীয়কে এই অধিনিয়মৰ উপবন্ধাৱলীৰ কোনো উলঙ্ঘনত বা জাৰি কৰা এনে পঞ্জীয়নৰ প্ৰমাণপত্ৰৰ সাপেক্ষে থকা চৰ্ত্ত পালনত অসফল হোৱাৰ কাৰণত এই অধিনিয়মৰ অধীনত জাৰি কৰা পঞ্জীয়নৰ কোনো প্ৰমাণপত্ৰ বাতিল বা পৰিৱৰ্ত্তন কৰাৰ বাবে তেওঁ উচিত বুলি ভবা দৰে এনে আদেশ দিব পাৰে।

(২) কোনো প্ৰবিষ্টিৰ পঞ্জীত নথকা বা ত্ৰুটীৰ দ্বাৰা বা কোনো পৰ্য্যাপ্ত কাৰণ বিনা পঞ্জীত কোনো প্ৰবিষ্টিৰ দ্বাৰা বা পঞ্জীত ভুলক্ৰমে থকা কোনো প্ৰবিষ্টিৰ দ্বাৰা ক্ষোভিত হোৱা কোনো ব্যক্তিয়ে বিহিত ৰীতিত পঞ্জীয়কলৈ আবেদন কৰিব পাৰে আৰু পঞ্জীয়কে তেওঁ উচিত ভবাদৰে প্ৰবিষ্টি কৰাৰ অপলোপন কৰাৰ বা সামান্য পৰিৱৰ্ত্তন কৰাৰ এনে আদেশ দিব পাৰে।

## উদ্ভিদ বৈচিত্র্য আৰু কৃষক অধিকাৰ সুৰক্ষা অধিনিয়ম, ২০০১

(৩) পঞ্জীয়কে এই ধাৰাৰ অধীনত কোনো কাৰ্য্যবাহীত পঞ্জীৰ শোধনৰ সম্পৰ্কত বিনিশ্চয় কৰিবলৈ আৱশ্যক বা সমীচীন হোৱা কোনো প্ৰশ্নৰ বিনিশ্চয় কৰিব পাৰে।

(৪) পঞ্জীয়কে তেওঁৰ নিজৰ প্ৰস্তাৱত, বিহিত ৰীতিত সংশ্লিষ্ট পক্ষক এখন সূচনা দিয়াৰ পিছত আৰু তেওঁলোকক শুনানীৰ এটা সুযোগ দিয়াৰ পিছত, উপ-ধাৰা(১) বা উপ-ধাৰা (২)ত নিৰ্দ্দেশিত কোনো আদেশ দিব পাৰে।

**পঞ্জীৰ শুদ্ধকৰণ।** ৩৭। (১) পঞ্জীয়কে, এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত এটা বৈচিত্ৰ্যৰ প্ৰজনকৰ দ্বাৰা বিহিত ৰীতিত দিয়া এখন আবেদনৰ ওপৰত –

(ক) এনে বৈচিত্ৰ্যৰ সম্বন্ধীয় এনে প্ৰজনকৰ নাম, ঠিকনা, বা বৰ্ণনা বা আন কোনো প্ৰবিষ্টিৰ পঞ্জীত থকা কোনো ক্ৰুটী শুদ্ধ কৰিব পাৰে;

(খ) পঞ্জীত এনে প্ৰজনকৰ নাম, ঠিকনা বা বৰ্ণনাৰ কোনো পৰিৱৰ্ত্তনৰ প্ৰবিষ্টি কৰিব পাৰে;

(গ) পঞ্জীত বৈচিত্ৰ্যৰ যিটোৰ ক্ষেত্ৰত আবেদন কৰা হৈছে, প্ৰবিষ্টি বাতিল কৰিব পাৰে ; আৰু পঞ্জীয়ণৰ প্ৰমাণ পত্ৰত কোনো আনুষঙ্গিক সংশোধন বা পৰিৱৰ্ত্তন প্ৰবিষ্ট কৰিব পাৰে আৰু তেনে প্ৰয়োজনাৰ্থে পঞ্জীয়ণৰ প্ৰমাণপত্ৰ তেওঁলৈ দাখিল কৰিবলৈ অপেক্ষা কৰিব পাৰে।

(২) পঞ্জীয়কে এটা বৈচিত্ৰ্যৰ এজন পঞ্জীভুক্ত এজেণ্ট বা এজন পঞ্জীভুক্ত অনুজ্ঞাপত্ৰধাৰীৰ দ্বাৰা বিহিত ৰীতিত দিয়া এখন আবেদনৰ ওপৰত আৰু পঞ্জীভুক্ত প্ৰজনকক এনে বৈচিত্ৰ্যৰ জাননী দিয়াৰ পিছত পঞ্জীত থকা ক্ৰুটী শুদ্ধ কৰিব পাৰে বা এনে পঞ্জীভুক্ত এজেণ্ট বা যথাস্থিতি পঞ্জীভুক্ত অনুজ্ঞাপত্ৰধাৰীৰ নাম, ঠিকনা বা বৰ্ণনাত বা এই অধিনিয়মৰ অধীনত জাৰি কৰা পঞ্জীয়নৰ প্ৰমাণপত্ৰৰ পৰিৱৰ্ত্তন প্ৰবিষ্ট কৰিব পাৰে।

**এটা পঞ্জীভুক্ত বৈচিত্ৰ্যৰ আখ্যাৰ পৰিৱৰ্ত্তন।** ৩৮। (১) এই অধিনিয়মৰ অধীনত এটা পঞ্জীভুক্ত বৈচিত্ৰ্যৰ প্ৰজনকে বিহিত ৰীতিত এনে বৈচিত্ৰ্যৰ চিনাক্তকৰণক পৰ্য্যাপ্তৰূপে প্ৰভাৱিত নকৰাকৈ আখ্যাৰ কোনো ভাগ লোপ কৰিবলৈ বা সংযোগ কৰিবলৈ বা পৰিৱৰ্ত্তন কৰিবলৈ আবেদন কৰিব পাৰে আৰু পঞ্জীয়কে, এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত কৰিব পাৰে, আৰু পঞ্জীয়কে এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত বৈচিত্ৰ্যৰ আন প্ৰজনকৰ অধিকাৰৰ কোনো বিবাদ পৰিহাৰ কৰিবলৈ তেওঁ উচিত বুলি ভবা দৰে, এনে নিবন্ধনত আৰু এনে পৰিসীমাৰ সাপেক্ষে অনুমতি অস্বীকাৰ কৰিব পাৰে বা মঞ্জুৰ কৰিব পাৰে।

(২) পঞ্জীয়কে এই ধাৰাৰ অধীনত বিহিত ৰীতিত বিজ্ঞাপিত হ'বলৈ এখন আবেদন কাৰিত কৰিব পাৰে আৰু য'ত তেওঁৰ প্ৰতীত হয় যে এনে কৰিবলৈ সমীচীন হয় আৰু য'ত তেওঁ এনে কৰে, যদি বিজ্ঞাপন দিয়াৰ তাৰিখৰ পৰা বিহিত সময়ৰ ভিতৰত কোনো ব্যক্তিয়ে বিহিত ৰীতিত পঞ্জীয়কলৈ আবেদনৰ বিৰোধিতাৰ সূচনা দিয়ে, পঞ্জীয়কে যদিহে এনেদৰে অপেক্ষিত কৰে, পক্ষসমূহক শুনাৰ পিছত বিষয়টো বিনিশ্চয় কৰিব।

(৩) য'ত এই ধাৰাৰ অধীনত অনুমতি মঞ্জুৰ কৰা হয়, এনেদৰে পৰিৱৰ্ত্তিত বৈচিত্ৰ্যৰ আখ্যা বিহিত ৰীতিত বিজ্ঞাপিত হ'ব, যদিহে আবেদন উপ-ধাৰা(২)ৰ অধীনত ইতিমধ্যে বিজ্ঞাপিত হোৱা নাই।

## অধ্যায়- VI

## কৃষকৰ অধিকাৰ

কৃষকৰ অধিকাৰ।

৩৯। (১) এই অধিনিয়মত কোনো কথা থকা স্বত্বেও,

(i) এটা নতুন বৈচিত্ৰ্যৰ জন্ম দিয়া বা বিকাশ কৰা এজন কৃষকে, এই অধিনিয়মৰ অধীনত এটা বৈচিত্ৰ্যৰ এজন প্ৰজনকৰ দৰে একে ৰীতিত পঞ্জীয়ন আৰু আন সুৰক্ষাৰ বাবে হকদাৰ হব ;

(ii) কৃষকৰ বৈচিত্ৰ্য পঞ্জীয়নৰ বাবে হকদাৰ হব যদিহে আবেদনত, ধাৰা ১৮ৰ উপধাৰা (১) ৰ খণ্ড(জ)ত বিনিৰ্দ্দিষ্ট কৰা দৰে, ঘোষণা থাকে ;

(iii) এজন কৃষক যিয়ে, ভূমি বৈশিষ্ট্য, আনুবংশিক উৎস আৰু অৰ্থনৈতিক সংযন্ত্ৰৰ বন্য সম্বন্ধ আৰক্ষণত আবদ্ধ আৰু নিৰ্বাচন আৰু সুৰক্ষণৰ মাধ্যমেৰে তেওঁলোকৰ বিকাশ সাধন আৰু পৰিৰক্ষণ বিহিত ৰীতিত, আনুবংশিক নিধিৰ পৰা স্বীকৃতি আৰু পুৰস্কাৰৰ বাবে হক দাৰ হব ঃ

পৰন্তু এনেদৰে নিৰ্বাচিত আৰু সুৰক্ষিত সামগ্ৰী, এই অধিনিয়মৰ অধীনত পঞ্জীয়নযোগ্য বৈচিত্ৰ্যত অনুবংশৰ দাতাৰূপে ব্যবহৃত হৈছে,

(iv) এজন কৃষক, এই অধিনিয়মৰ অধীনত সুৰক্ষিত বৈচিত্ৰ্যৰ বীজ অন্তৰ্ভুক্ত কৰি সঞ্চয়, ব্যৱহাৰ, সিচা, পুনৰ সিচা, বিনিময়, অংশ বা তেওঁৰ ফাৰ্ম উৎপাদিত বস্তু বিক্ৰী কৰিবলৈ হক দাৰ যিদৰে তেওঁ এই অধিনিয়ম বলবৎ হোৱাৰ পূৰ্বে হক দাৰ আছিলঃ

পৰন্তু কৃষক, এই অধিনিয়মৰ অধীনত সুৰক্ষিত এটা বৈচিত্ৰ্যৰ মোহৰ যুক্ত বীজ বিক্ৰী কৰিবলৈ হক দাৰ নহব।

**স্পষ্টীকৰণ** - খণ্ড (iv)ৰ প্ৰয়োজনাৰ্থে" মোহৰযুক্ত বীজ " মানে এটা টোপোলা বা কোনো আন ধাৰক আৰু ৰীতিত লেবেল যুক্ত যে এনে বীজ, এই অধিনিয়মৰ অধীনত সুৰক্ষিত বৈচিত্ৰ্যৰ নহয়।

(২) য'ত এই অধিনিয়মৰ অধীনত এটা পঞ্জীভুক্ত বৈচিত্ৰ্যৰ কোনো প্ৰসাৰিত সামগ্ৰী, কৃষক বা কৃষকৰ শ্ৰেণী বা কৃষকৰ কোনো সংগঠনলৈ বিক্ৰী কৰা হয়, এনে বৈচিত্ৰ্যৰ প্ৰজনকে, দিয়া চৰ্ত্তাৱলীৰ অধীনত কৃষক বা কৃষকৰ শ্ৰেণী বা যথাস্থিতি, কৃষকৰ সংগঠনলৈ আশা কৰা নিষ্পাদনৰ প্ৰকট কৰিব, আৰু যদিহে এনে প্ৰসাৰ সামগ্ৰীয়ে, দিয়া এনে চৰ্ত্তাৱলীৰ অধীনত এনে সম্পাদনা উপবন্ধিত কৰিবলৈ অসফল হয়, কৃষক বা কৃষকৰ বা কৃষকৰ শ্ৰেণী বা যথাস্থিতি কৃষকৰ সংগঠনে প্ৰাধিকাৰীক বিহিত ৰীতিত ক্ষতিপূৰণ দাবী কৰিব পাৰে আৰু প্ৰাধিকাৰে, বৈচিত্ৰ্যৰ প্ৰজনকক সূচনা দিয়াৰ পিছত আৰু বিহিত ৰীতিত বিৰোধিতা দাখিল কৰিবলৈ তেওঁক এটা সুযোগ উপবন্ধ কৰাৰ পিছত আৰু পক্ষসমূহক শুনাৰ পিছত, বৈচিত্ৰ্যৰ প্ৰজনকক, তেওঁ উচিত বুলি গণ্য কৰা দৰে, কৃষক বা কৃষকৰ শ্ৰেণী বা যথাস্থিতি কৃষকৰ সংগঠনক এনে ক্ষতিপূৰণ আদায় দিবলৈ নিৰ্দ্দেশ দিব পাৰে।

পঞ্জীয়নৰ বাবে কৰা আবেদনত কেতবোৰ তথ্য দিয়া হব।

৪০। (১) অধ্যায় III ৰ অধীনত কোনো বৈচিত্ৰ্যৰ পঞ্জীয়নৰ বাবে আবেদন কৰা কোনো এজন প্ৰজনক বা আন ব্যক্তিয়ে, এনে বৈচিত্ৰ্যৰ প্ৰজনন বা বিকাশত কোনো জনজাতীয় বা গ্ৰাম্য পৰিয়ালৰ দ্বাৰা সংৰক্ষণ কৰা আনুবংশিক সামগ্ৰীৰ ব্যৱহাৰৰ সম্বন্ধে আবেদন থকা তথ্য প্ৰকট কৰিব।

(২) যদিহে প্ৰজনক বা আন কোনো ব্যক্তিয়ে উপ-ধাৰা (১)ৰ অধীনত কোনো তথ্য প্ৰকট কৰিবলৈ অসফল হয়, পঞ্জীয়কে প্ৰজনক বা এনে ব্যক্তিয়ে ইচ্ছাকৃতভাৱে বা জানিশুনি এনে তথ্য গোপন কৰা বুলি সন্তুষ্টি লাভ কৰাৰ পিছত, পঞ্জীয়নৰ আবেদন নাকচ কৰিব পাৰে।

সম্প্ৰদায়ৰ অধিকাৰ।

৪১। (১) কোনো ব্যক্তি বা ব্যক্তি বৰ্গ (ফাৰ্মত সক্ৰিয়ভাৱে জড়িত হোৱা বা নোহোৱা) বা কোনো চৰকাৰী বা বেচৰকাৰী সংগঠনে ভাৰতবৰ্ষত থকা কোনো গ্ৰাম্য বা স্থানীয় সম্প্ৰদায়ৰ হকে প্ৰধিকাৰীৰ দ্বাৰা সেই গাওঁৰ জনতা বা যথাস্থিতি স্থানীয় সম্প্ৰদায়, এনে গ্ৰাম্য বা স্থানীয় সম্প্ৰদায়ৰ হকে দাবীৰ ব্যৱসায়ী স্বাৰ্থৰ প্ৰয়োজনাৰ্থে কোনো বৈচিত্ৰ্যৰ বিৱৰ্ত্তনত আৰোপনীয় বৰঙনিৰ কোনো দাবী কেন্দ্ৰীয় চৰকাৰৰ পূৰ্বঅনুমোদনসহ চৰকাৰী ৰাজপত্ৰত অধিসূচিত কেন্দ্ৰত দাখিল কৰিব পাৰে।

(২) য'ত উপ-ধাৰা (১)ৰ অধীনত এটা দাবী কৰা হয়, সেই উপ-ধাৰাৰ অধীনত অধিসূচিত কেন্দ্ৰই, ই উচিত বুলি গণ্য কৰা দৰে, এনে ৰীতিত এনে ব্যক্তি বৰ্গ বা এনে চৰকাৰী বা বে-চৰকাৰী সংগঠনৰ দ্বাৰা কৰা দাবী পৰীক্ষা কৰিব পাৰে, আৰু যদিহে এনে গ্ৰাম্য বা স্থানীয় সম্প্ৰদায়ে, অধিনিয়মৰ অধীনত পঞ্জীভুক্ত হোৱা বৈচিত্ৰ্যৰ বিৱৰ্ত্তনত তাৎপৰ্য্য পূৰ্ণভাৱে বৰঙণি দিয়া বুলি সন্তুষ্ট হয়, ই প্ৰাধিকাৰলৈ ইয়াৰ সিদ্ধান্তৰ প্ৰতিবেদন দিব।

(৩) যেতিয়া প্ৰাধিকাৰীয়ে,উপ-ধাৰা (২)ৰ অধীনত দিয়া এখন প্ৰতিবেদনৰ ওপৰত তেওঁ উচিত বুলি গণ্য কৰা দৰে এনে তদন্তৰ পিছত সন্তুষ্ট হয় যে প্ৰতিবেদন সম্বন্ধিত থকা বৈচিত্ৰ্য, এই অধিনিয়মৰ উপবন্ধাৱলীৰ অধীনত পঞ্জীভুক্ত কৰা হৈছে, ই, বিহিত নীতিত, সেই বৈচিত্ৰ্যৰে প্ৰজনকলৈ সূচনা জাৰি কৰিব পাৰে আৰু এনে প্ৰজনকক বিহিত ৰীতিত আপত্তি দাখিল কৰিবলৈ আৰু শুনানীৰ সুযোগ উপবন্ধ কৰাৰ পিছত কেন্দ্ৰীয় চৰকাৰৰ, আদেশৰ দ্বাৰা অধিসূচিত কৰা কোনো পৰিসীমাৰ সাপেক্ষে, এজন ব্যক্তি বা ব্যক্তিবৰ্গ বা চৰকাৰী বা বে-চৰকাৰী সংগঠনলৈ দিব লগা ক্ষতিপূৰণৰ এনে পৰিমাণ মঞ্জুৰ কৰিব পাৰে যিটো যিদৰে তেওঁ উচিত গণ্য কৰে উপ-ধাৰা (১)ৰ অধীনত দাবী কৰা হয়।

(৪) উপ-ধাৰা (৩)ৰ অধীনত মঞ্জুৰ কৰা কোনো ক্ষতিপূৰণ বৈচিত্ৰ্যৰ প্ৰজনকৰ দ্বাৰা আনুবংশিক নিধিত জমা কৰা হব।

(৫) উপ-ধাৰা (৩)ৰ অধীনত মঞ্জুৰ কৰা কোনো ক্ষতিপূৰণক, ভূমি ৰাজহৰ এটা বকেয়াৰূপে গণ্য কৰা হব আৰু প্ৰাধিকাৰৰ দ্বাৰা তদনুসাৰে আদায়যোগ্য হব।

**নিৰ্দোষ অতি লঙ্ঘনৰ সুৰক্ষা।**

৪২। এই অধিনিয়মত কোনো কথা থকা স্বত্বেও,-

(i) এই অধিনিয়মৰ অধীনত প্ৰতিপন্ন এটা অধিকাৰ, এজন কৃষকৰ দ্বাৰা অতি উলংঘিত কৰা বুলি গণ্য কৰা নহব যিজন এনে অতিলঙ্ঘনৰ সময়ত এনে অধিকাৰৰ বিদ্যমানতাৰ বিষয়ে জ্ঞাত নাছিল।

(ii) কোনো প্ৰতিকাৰ যিটো ধাৰা ৬৫ত নিৰ্দ্দেশিত অতিলঙ্ঘনৰ বাবে কোনো বাদত ন্যায়ালয়ে মঞ্জুৰ কৰিব পাৰে, এনে ন্যায়ালয়ৰ দ্বাৰা মঞ্জুৰ কৰা নহব নাইবা এনে কৃষকৰ বিৰুদ্ধে এনে অতিলঙ্ঘনৰ কাৰণে এই অধিনিয়মৰ অধীনত কোনো অপৰাধৰ কোনো সংজ্ঞান লোৱা নহব যিজনে ন্যায়ালয়ৰ আগত প্ৰমাণ কৰে যে এনে অতিলঙ্ঘনৰ সময়ত তেওঁ এনেদৰে অতিলঙ্ঘিত অধিকাৰৰ বিদ্যমানতাৰ অবগত নাছিল।

**কৃষক বৈচিত্ৰ্যৰ প্ৰাধিকৰণ।**

৪৩। ধাৰা ২৩ৰ উপ-ধাৰা (৬) আৰু ধাৰা ২৮ত কোনো কথা থকা স্বত্বেও য'ত এটা অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্যৰ, এটা কৃষক বৈচিত্ৰ্যৰ পৰা প্ৰাপ্ত হয়, ধাৰা ২৮ৰ উপ-ধাৰা (২)ৰ অধীনত প্ৰাধিকৰণক, এনে বৈচিত্ৰ্যৰ পৰিৰক্ষণ বা বিকাশত বৰঙণি যোগোৱা কৃষক বা কৃষকৰ শ্ৰেণী বা কৃষকৰ সম্প্ৰদায়ৰ সন্মতি ব্যতিৰেকে এনে কৃষক বৈচিত্ৰ্যৰ প্ৰজনকৰ দ্বাৰা দিয়া নহব।

**মাচুলৰ ৰেহাই।**

৪৪। এজন কৃষক বা কৃষকৰ শ্ৰেণী বা গ্ৰাম্য সম্প্ৰদায়ে, প্ৰাধিকাৰ বা পঞ্জীয়ক বা এই অধিনিয়মৰ বা ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলীৰ অধীনত ন্যায়াধিকৰণ বা উচ্চ ন্যায়ালয়ৰ কোনো কাৰ্য্যবাহীত কোনো মাচুল আদায় দিবলৈ দায়ী নহব।

**স্পষ্টীকৰণ**- এই ধাৰাৰ প্ৰয়োজনার্থে ''কাৰ্য্যবাহীত মাচুল'' শব্দই এই অধিনিয়ম বা ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলীৰ অধীনত কোনো দস্তাৱেজৰ পৰিদৰ্শনৰ বাবে বা কোনো বিনিশ্চয় বা আদেশ বা দস্তাৱেজৰ এটা প্ৰতিলিপি লাভ কৰাৰ বাবে দেয় কোনো মাচুল অন্তৰ্ভুক্ত কৰে।

**জৈৱিক নিধি।**

৪৫। (১) কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় জৈৱিক নিধি নামেৰে এটা নিধি গঠন কৰিব আৰু তাত নিম্নলিখিতবোৰ জমা কৰা হব।

(ক) বিহিত ৰীতিত এটা বৈচিত্ৰ্যৰ প্ৰজনকৰ পৰা বা এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্য বা এনে বৈচিত্ৰ্যৰ প্ৰসাৰ সামগ্ৰী বা যথাস্থিতি, অত্যাৱশ্যকীয় ভাৱে প্ৰাপ্ত বৈচিত্ৰ্যৰ লাভৰ অংশ।

(খ) ধাৰা ৩৫ৰ উপ-ধাৰা (১)ৰ অধীনত প্ৰাধিকাৰীলৈ ৰাজ শুল্কৰ ব্যৱস্থাৰে দেয় বাৰ্ষিক মাচুল ;

(গ) ধাৰা ৪১ৰ উপ-ধাৰা (৪)ৰ অধীনত বংশীয় নিধিত জমা দিয়া ক্ষতিপূৰণ ;

(ঘ) কোনো ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় সংগঠন আৰু আন উৎসৰ পৰা দিয়া বৰঙণি ;

(২) বংশীয় নিধি, বিহিত ৰীতিত, নিম্ন লিখিতবোৰৰ পূৰণৰ বাবে প্ৰয়োগ কৰা হব -

(ক) ধাৰা ২৬ৰ উপ-ধাৰা (৫)ৰ অধীনত লাভৰ অংশৰূপে দেয় কোনো পৰিমাণ ;

(খ) ধাৰা ৪১ৰ উপ-ধাৰা (৩)ৰ অধীনত দেয় ক্ষতিপূৰণ ;

(গ) স্বস্থানিক আৰু পূৰ্বস্থানিকৰ সংগ্ৰহ অন্তৰ্ভুক্ত কৰি আনুবংশিক উৎসৰ আৰক্ষণ আৰু প্ৰমাণযোগ্য ব্যৱহাৰ সমৰ্থনৰ বাবে আৰু এনে আৰক্ষণ আৰু প্ৰমাণযোগ্য ব্যৱহাৰ কাৰ্যকৰী কৰাত পঞ্চায়তৰ সামৰ্থ্যতা শক্তিশালী কৰাৰ বাবে হোৱা খৰচ ;

(ঘ) ধাৰা ৪৬ৰ অধীনত গঠিত লাভৰ অংশ সম্বন্ধীয় আঁচনিৰ খৰচ ;

আঁচনি ইত্যাদিৰ চালনা কৰা।

৪৬। (১) কেন্দ্ৰীয় চৰকাৰে ধাৰা ৪১ আৰু ধাৰা ৪৫ৰ উপ-ধাৰা (২)ৰ খণ্ড (ঘ)ৰ প্ৰয়োজনাৰ্থে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এক বা ততোধিক আঁচনি গঠন কৰিব।

(২) বিশেষতঃ আৰু উপ-ধাৰা (১)ৰ উপবন্ধাৱলীৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, আঁচনিয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) আঁচনিৰ অধীনত ধাৰা ৪১ৰ প্ৰয়োজনাৰ্থে দাবীৰ পঞ্জীয়ন আৰু এনে পঞ্জীয়নৰ সৈতে জড়িত সকলো বিষয় ;

(খ) দাবীৰ বলবৎকৰণ সুনিশ্চিত কৰাৰ বাবে এনে দাবীৰ পদ্ধতিকৰণ আৰু ইয়াৰ সৈতে সম্পৰ্কিত বিষয়সমূহ ;

(গ) এনে দাবীৰ ক্ষেত্ৰত থকা ৰেকৰ্ড বা পঞ্জীৰ ৰক্ষণাৱেক্ষণ ;

(ঘ) এনে দাবীৰ সন্তুষ্টিত গ্ৰহণ কৰা কোনো পৰিমাণৰ (নিযুক্তি অন্তৰ্ভুক্ত কৰি) বিতৰণৰ মাধ্যমেৰে বা অন্যথা ব্যৱহাৰ কৰণ ;

(ঙ) এনে দাবী সম্বন্ধে বিবাদ সংঘটনত প্ৰাধিকাৰৰ দ্বাৰা ব্যয় বা ভাগ বটোৱাৰাৰ বাবে প্ৰক্ৰিয়া ;

(চ) বৈচিত্ৰ্যৰ প্ৰজনন, আৱিষ্কাৰ বা বিকাশ সম্বন্ধিত কৰাৰ প্ৰয়োজনাৰ্থে লাভৰ অংশৰ ব্যৱহাৰ ;

(ছ) খণ্ড (ঘ)ত নিৰ্দ্দেশিত মুঠ ধন সম্পৰ্কে ৰক্ষণাৱেক্ষণ আৰু হিচাপ পৰীক্ষা।

## অধ্যায়-VII

## বাধ্যতামূলক অনুজ্ঞাপত্ৰ

প্ৰাধিকাৰৰ, কেতবোৰ পৰিস্থিতিত বাধ্যতামূলক অনুজ্ঞাপত্ৰৰ বাবে, আদেশ দিবলৈ ক্ষমতা।

৪৭। (১) এটা বৈচিত্ৰ্যৰ পঞ্জীয়নৰ এখন প্ৰমাণ পত্ৰৰ জাৰি কৰা তাৰিখৰ পৰা তিনি বছৰ অৱসানৰ পিছত যি কোনো সময়ত, স্বাৰ্থজড়িত কোনো ব্যক্তিয়ে অভিকথন কৰি প্ৰাধিকাৰীলৈ আবেদন কৰিব পাৰে যে বৈচিত্ৰ্যৰ বীজ বা আন প্ৰসাৰ সামগ্ৰীৰ বাবে জনসাধাৰণৰ যুক্তি সঙ্গত অপেক্ষাকৰণবোৰ পূৰণ হোৱা নাই বা বৈচিত্ৰ্যৰ বীজ বা আন প্ৰসাৰ সামগ্ৰী এটা যুক্তিসঙ্গত মূল্যত জনসাধাৰণলৈ সহজলভ্য নহয় আৰু সেই বৈচিত্ৰ্যৰ বীজ বা প্ৰসাৰ সামগ্ৰীৰ উৎপাদন, বিতৰণ আৰু বিক্ৰী কৰিবলৈ এখন বাধ্যতামূলক অনুজ্ঞাপত্ৰৰ মঞ্জুৰীৰ বাবে প্ৰাৰ্থনা কৰিব পাৰে।

(২) উপ-ধাৰা (১)ৰ অধীনত প্ৰত্যেক আবেদনত, বিহিত কৰা দৰে আবেদকৰ স্বাৰ্থৰ বিবৃতিৰ সবিশেষসহ আৰু তথ্য বোৰ একেলগে থাকিব যিবোৰৰ ওপৰত আবেদন ভিত্তি কৰা হয়।

(৩) প্ৰাধিকাৰে, কেন্দ্ৰীয় চৰকাৰৰ সৈতে পৰামৰ্শ কৰাৰ পিছত এনে বৈচিত্ৰ্যৰ প্ৰজনকলৈ আপত্তি দাখিল কৰিবলৈ এটা সুযোগ দিয়াৰ পিছত এনে বিষয়ৰ ওপৰত শুনানীৰ পিছত যদি সন্তুষ্ট হয় যে বৈচিত্ৰ্যৰ সম্পৰ্কে জনসাধাৰণৰ যুক্তিসঙ্গত অপেক্ষাকৰণবোৰ পূৰণ কৰা হোৱা নাই বা বৈচিত্ৰ্যৰ বীজ বা আন প্ৰসাৰ সামগ্ৰী এটা যুক্তিসঙ্গত মূল্যত জনসাধাৰণলৈ সহজলভ্য হোৱা নাই ই উচিত গণ্য কৰি এনে নিৰ্বন্ধন আৰু চৰ্তাৱলীৰ ওপৰত আবেদকক এখন অনুজ্ঞাপত্ৰ মঞ্জুৰ কৰিবলৈ এনে প্ৰজনকলৈ আদেশ দিব পাৰে আৰু সেই উপ-ধাৰাত নিৰ্দ্দেশিত ৰূপে আবেদকৰ দ্বাৰা এনে মাচুলৰ আদায়ত ধাৰা ২৮ৰ উপ-ধাৰা (৪)ৰ অধীনত অনুজ্ঞাপত্ৰধাৰী ৰূপে এনে আবেদকৰ স্বত্বৰ পঞ্জীভুক্ত কৰিবলৈ পঞ্জীয়কলৈ এনে আদেশৰ এটা প্ৰতিলিপি পঠিয়াব পাৰে।

যেতিয়া জনসাধাৰণৰ অপেক্ষাকৰণবোৰ পূৰণ হোৱা নাই বুলি গণ্য কৰা হয়।

৪৮। ধাৰা ৪৭ৰ উপ-ধাৰা (১) বা উপ-ধাৰা (৩)ত নিৰ্দেশিত দৰে এটা বৈচিত্ৰ্যৰ বীজ বা ইয়াৰ প্ৰসাৰ সামগ্ৰীৰ বাবে জনসাধাৰণৰ যুক্তিসঙ্গত অপেক্ষাকৰণৰ বিষয়ে প্ৰশ্নৰ নিৰ্দ্ধাৰণ কৰাত, প্ৰাধিকাৰে নিম্ন লিখিতসমূহক বিবেচনাত লব।

# উদ্ভিদ বৈচিত্র আৰু কৃষক অধিকাৰ সুৰক্ষা অধিনিয়ম,২০০১

(i) বৈচিত্র্যৰ প্ৰকৃতি, বৈচিত্র্যৰ প্ৰমামপত্ৰৰ মঞ্জুৰী হোৱালৈকে সমাপ্ত হোৱা সময়, বৈচিত্র্যৰ বীজৰ মূল্য আৰু আৰু প্ৰজনকৰ দ্বাৰা লোৱা ব্যৱস্থা বা জনসাধাৰণৰ অপেক্ষাকৰণ পূৰণ কৰিবলৈ বৈচিত্র্যৰ কোনো পঞ্জীভুক্ত অনুজ্ঞাপত্ৰ, আৰু

(ii) জনসাধাৰণৰ অপেক্ষা পূৰণ কৰিবলৈ বৈচিত্র্য উৎপাদন আৰু বিক্ৰী কৰিবলৈ আবেদকৰ সামৰ্থ্যতা, দক্ষতা আৰু কাৰিকৰী যোগ্যতা।

*বাধ্যতামূলক অনুজ্ঞাপত্ৰৰ মঞ্জুৰীৰ বাবে আবেদনৰ স্থগিতকৰণ।*

৪৯। (১) যদি এটা পঞ্জীভুক্ত বৈচিত্র্যৰ এজন প্ৰজনকে, এই অধিনিয়মৰ অধীনত যিটোৰ ক্ষেত্ৰত ধাৰা ৪৭ৰ অধীনত প্ৰাধিকাৰৰ সমক্ষত কোনো আবেদন লম্বিত থকাত কোনো যুক্তিসঙ্গত কাৰণত এনে প্ৰজনকে, এনে অনুৰোধ কৰা তাৰিখলৈকে পৰ্য্যাপ্ত বিস্তাৰলৈ এটা ব্যৱসায়িক নিৰিখত বৈচিত্র্যৰ বীজ বা আন প্ৰসাৰিত সামগ্ৰী উৎপাদন কৰিবলৈ অসমৰ্থ হৈছে বুলি প্ৰাধিকাৰীলৈ অনুৰোধ কৰে, প্ৰাধিকাৰে, উক্ত কাৰণ যুক্তিসঙ্গত বুলি সন্তুষ্টহৈ গড়ে বাৰ মাহৰ অনধিক কালৰ বাবে এনে আবেদনৰ শুনানী স্থগিত ৰাখিব পাৰে যিদৰে এনে বৈচিত্র্যৰ বীজ বা যথাস্থিতি প্ৰসাৰ সামগ্ৰীৰ সৰ্বাধিক উৎপাদনৰ, প্ৰজনকৰ দ্বাৰা পৰ্য্যাপ্ত বুলি বিবেচনা কৰিব পাৰে।

(২) উপ-ধাৰা(১)ৰ অধীনত আবেদনৰ কোনো স্থগিতকৰণ মঞ্জুৰ কৰা নহব, যদিহে প্ৰাধিকাৰীয়ে, এই অধিনিয়মৰ অধীনত যিটোৰ ক্ষেত্ৰত আবেদন দিয়া হৈছে, পঞ্জীভুক্ত বৈচিত্র্যৰ প্ৰজনকে এনে বৈচিত্র্যৰ বীজ বা আন প্ৰসাৰ সামগ্ৰীৰ বাবে জনসাধাৰণৰ যুক্তিসঙ্গত অপেক্ষা পূৰণ কৰিবলৈ তৎকালিক ব্যৱস্থা লোৱা নাই বুলি তেওঁ সন্তুষ্ট নহয়।

*বাধ্যতামূলক অনুজ্ঞাপত্ৰৰ অৱধি।*

৫০। প্ৰাধিকাৰে এই অধ্যায়ৰ অধীনত মঞ্জুৰ কৰা বাধ্যতামূলক অনুজ্ঞাপত্ৰৰ অৱধি অৱধাৰণ কৰিব আৰু এনে অৱধি, গৰ্ভধাৰণ কাল আৰু আন সুসঙ্গত কাৰণ লক্ষ্য ৰাখি বেলেগ বেলেগ বিষয়ত বৈষম্যিত হব পাৰে কিন্তু কোনো ক্ষেত্ৰত সেই বৈচিত্র্যৰ সুৰক্ষাৰ মুঠ অৱশিষ্ট কালৰ অতিক্ৰম নকৰিব আৰু যেতিয়া এখন বাধ্যতামূলক অনুজ্ঞাপত্ৰ মঞ্জুৰ কৰা হয়, বিহিত প্ৰাধিকাৰীয়ে বিহিত ৰীতিত এনে বাধ্যতামূলক অনুজ্ঞাপত্ৰৰ অনুজ্ঞাপত্ৰধাৰীক, ৰাষ্ট্ৰীয় জৈৱিক বেঙ্ক বা কোনো আন কেন্দ্ৰত জমা থকা এনে বাধ্যতামূলক অনুজ্ঞাপত্ৰৰ সম্পৰ্কিত বৈচিত্র্যৰ পুনৰ উৎপাদিত সামগ্ৰীক সহজলভ্য কৰিব।

*প্ৰাধিকাৰে অনুজ্ঞা-পত্ৰৰ নিবন্ধন আৰু চৰ্তাৱলী ৰক্ষা কৰিব।*

৫১। প্ৰাধিকাৰে, যেতিয়া এই অধ্যায়ৰ উপন্ধাৱলীৰ অধীনত এখন বাধ্যতামূলক অনুজ্ঞাপত্ৰৰ নিবন্ধন আৰু চৰ্তাৱলী নিৰ্দ্ধাৰণ কৰাত, নিম্নলিখিতসমূহক সুনিশ্চিত কৰিবলৈ চেষ্টা কৰিব -

(i) বৈচিত্র্যৰ প্ৰকৃতি, বৈচিত্র্যৰ প্ৰজনন বা ইয়াৰ বিকাশ বা আন সুসঙ্গত তথ্যৰ বাবে এনে প্ৰজনকৰ দ্বাৰা খৰচ লক্ষ্য ৰাখি বাধ্যতামূলক অনুজ্ঞাপত্ৰৰ সম্বন্ধিত বৈচিত্র্যৰ প্ৰজনকলৈ যুক্তিসঙ্গত ক্ষতিপূৰণ ;

(ii) এনে বৈচিত্র্যৰ বাধ্যতামূলক অনুজ্ঞাপত্ৰধাৰীয়ে, এনে বৈচিত্র্যৰ বীজ বা আন প্ৰসাৰ সামগ্ৰীৰ সময়মতে আৰু এটা উচিত বজাৰ মূল্যত কৃষকক উপবন্ধিত কৰিবলৈ পৰ্য্যাপ্ত ব্যৱস্থা।

(২) প্ৰাধিকাৰৰ দ্বাৰা মঞ্জুৰ কৰা কোনো বাধ্যতামূলক অনুজ্ঞাপত্ৰই, বিদেশৰ পৰা এনে বৈচিত্র্যৰ এনে অনুজ্ঞাপত্ৰ বা কোনো বীজ বা আন প্ৰসাৰ সামগ্ৰীৰ সম্বন্ধিত বৈচিত্র্যৰ আমদানি কৰিবলৈ অনুজ্ঞাধাৰীক প্ৰাধিকৃত নকৰিব য'ত এনে আমদানিয়ে এনে বৈচিত্র্যৰ প্ৰজনকৰ অধিকাৰৰ অতিউলঙ্ঘন সংঘটিত কৰিব পাৰে।

*বাধ্যতামূলক অনুজ্ঞাপত্ৰৰ প্ৰত্যাহাৰ।*

৫২। (১) প্ৰাধিকাৰীয়ে নিজৰ মতত বা এজন ক্ষোভিত ব্যক্তিয়ে বিহিত প্ৰপত্ৰত দিয়া এখন আবেদনৰ ওপৰত, যদি সন্তুষ্ট হয় যে এই অধ্যায়ৰ অধীনত পঞ্জীভুক্ত বাধ্যতামূলক অনুজ্ঞাপত্ৰধাৰীয়ে, তেওঁৰ অনুজ্ঞাপত্ৰৰ কোনো নিবন্ধন বা চৰ্তাৱলী ভঙ্গঁ কৰিছে বা জনসাধাৰণৰ স্বাৰ্থত এনে অনুজ্ঞাপত্ৰ অতিৰিক্তভাৱে পুনৰ চলোৱাটো সমুচিত নহয়, তেওঁ এনে অনুজ্ঞাপত্ৰধাৰীক আপত্তি দাখিল কৰিবলৈ সুযোগ দিয়া আৰু শুনানীৰ পিছত, এনে অনুজ্ঞাপত্ৰ প্ৰত্যাহাৰ কৰিবলৈ আদেশ দিব পাৰে।

(২) যেতিয়া এখন অনুজ্ঞাপত্ৰ, উপ-ধাৰা (১)ৰ অধীনত প্ৰাধিকাৰীৰ এটা আদেশৰ দ্বাৰা প্ৰত্যাহাৰ কৰা হয়, প্ৰাধিকাৰীয়ে প্ৰবিষ্টি শোধন কৰিবলৈ বা এনে প্ৰত্যাহাৰ সম্বন্ধিত পঞ্জী শুদ্ধ কৰিবলৈ পঞ্জীয়কলৈ এনে আদেশৰ এটা প্ৰতিলিপি পঠিয়াব আৰু পঞ্জীয়কে তদনুসাৰে প্ৰবিষ্টি শোধন কৰিব বা পঞ্জী শুদ্ধ কৰিব।

*বাধ্যতামূলক অনুজ্ঞাপত্ৰৰ পৰিৱৰ্ত্তন।*

৫৩। প্ৰাধিকাৰীয়ে নিজৰ মতত বা এজন বাধ্যতামূলক অনুজ্ঞাপত্ৰৰ অনুজ্ঞাপত্ৰধাৰীৰ আবেদনৰ ওপৰত, এনে বাধ্যতামূলক অনুজ্ঞাপত্ৰ সম্বন্ধৰ এই অধিনিয়মৰ অধীনত পঞ্জীভু ক্ত বৈচিত্র্যৰ প্ৰজনকক শুনানীৰ

সুযোগ উপবন্ধ কৰাৰ পিছত, জনসাধাৰণৰ স্বাৰ্থত যদিহে বিবেচনা কৰে, তেতিয়া তেওঁ উচিত বুলি ভবা দৰে এনে নিবন্ধন আৰু চৰ্ত্তাৱলী আদেশৰ দ্বাৰা পৰিবৰ্ত্তন কৰিব পাৰে আৰু এনে পৰিৱৰ্ত্তনৰ বাবে প্ৰৱিষ্টি আৰু পঞ্জী শুদ্ধ কৰিবলৈ পঞ্জীয়কলৈ এনে আদেশৰ এটা প্ৰতিলিপি প্ৰেৰণ কৰিব পাৰে আৰু পঞ্জীয়কে তদনুসাৰে এনে শুদ্ধকৰণ সুনিশ্চিত কৰিব।

## অধ্যায়-VIII

## উদ্ভিদ বৈচিত্ৰ্যৰ সুৰক্ষা আপীল ন্যায়াধিকৰণ

ন্যায়াধিকৰণ

৫৪। কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ দ্বাৰা বা অধীনত ইয়ালৈ প্ৰদত্ত অধিকাৰিতা, ক্ষমতা আৰু প্ৰাধিকাৰ কাৰ্য্যকৰী কৰিবলৈ উদ্ভিদ বৈচিত্ৰ্যৰ সুৰক্ষা আপীল ন্যায়াধিকৰণ ৰূপে জনাজাত এখন ন্যায়াধিকৰণ গঠন কৰিব পাৰে।

ন্যায়াধিকৰণৰ গঠন।

৫৫। (১) ন্যায়াধিকৰণে, এজন অধ্যক্ষ আৰু এনে সংখ্যক ন্যায়িক সদস্য আৰু কাৰিকৰী সদস্যৰে গঠিত হব যিদৰে কেন্দ্ৰীয় চৰকাৰে নিয়োগ কৰিবলৈ উচিত বুলি গণ্য কৰে।

(২) এজন ন্যায়িক সদস্য এনে এজন ব্যক্তি হব যিজনে কমেও দহ বছৰৰ বাবে ভাৰতবৰ্ষৰ ৰাজ্যক্ষেত্ৰত এটা ন্যায়িক পদ ধাৰণ কৰিছে বা যিজনে ভাৰতীয় বিধিক সেৱাৰ এজন সদস্য হয় আৰু অতি কমেও তিনি বছৰৰ বাবে সেই সেৱাৰ দ্বিতীয় শ্ৰেণীৰ এটা পদত সমপৰ্য্যায়ৰ বা উচ্চ পৰ্য্যায়ৰ পদ ধাৰণ কৰিছে বা যিজনে কমেও বাৰ বছৰৰ বাবে এজন অধিবক্তা হৈছে।

**স্পষ্টীকৰণ**- এই উপ-ধাৰাৰ প্ৰয়োজনাৰ্থে,-

(i) কালছোৱা সংগণনা কৰাত যি কালছোৱাৰ ভিতৰত এজন ব্যক্তিয়ে ভাৰতবৰ্ষৰ ৰাজ্যক্ষেত্ৰত ন্যায়িক পদধাৰণ কৰিছে, তেওঁ যিকোনো ন্যায়িক পদধাৰণ কৰাৰ পিচত কোনো কালছোৱা অন্তৰ্ভুক্ত কৰা হব যি কালছোৱাত ব্যক্তিজন এজন অধিবক্তা হয় বা এখন ন্যায়াধিকৰণৰ এজন সদস্যৰ পদধাৰণ কৰে বা বিধিৰ বিশেষ জ্ঞান অপেক্ষা কৰি সংঘৰ বা এখন ৰাজ্যৰ অধীনত কোনো পদধাৰণ কৰে।

(ii) কালছোৱা সংগণনা কৰাত যি কালছোৱাত এজন ব্যক্তি অধিবক্তা হয় তাত অন্য কালছোৱা অন্তৰ্ভুক্ত কৰা হব যি কালছোৱাৰ ভিতৰত এজন ব্যক্তিয়ে ন্যায়িক পদধাৰণ কৰিছে বা এখন ন্যায়াধিকৰণৰ এজন সদস্যৰ পদধাৰণ কৰে বা তেওঁ এজন অধিবক্তা হোৱাৰ পিছত বিধিৰ বিশেষ জ্ঞান অপেক্ষা কৰি সংঘ বা এখন ৰাজ্যৰ অধীনত কোনো পদধাৰণ কৰে।

(৩) কাৰিকৰী সদস্যজন এনে এজন ব্যক্তি হব যিজনক উদ্ভিদ প্ৰজনন আৰু আনুবংশিক জৈৱিক ক্ষেত্ৰত এজন প্ৰখ্যাত কৃষি বৈজ্ঞানিক হয় আৰু উদ্ভিদ বৈচিত্ৰ্য আৰু বীজ উন্নয়ন কাৰ্য্যকলাপ সংব্যৱহাৰৰ কমেও বিশ বছৰৰ অভিজ্ঞতা থাকে বা যিজনে উদ্ভিদ বৈচিত্ৰ্য বা বীজ উন্নয়নত সংব্যৱহাৰ কৰা ভাৰত চৰকাৰৰ যুটীয়া সচিবৰ সমপৰ্য্যায়ৰ কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ কোনো পদত কমেও তিনি বছৰৰ বাবে পদধাৰণ কৰে আৰু উদ্ভিদ প্ৰজনন আৰু আনুবংশিক জৈৱিক ক্ষেত্ৰত বিশেষ জ্ঞান ধাৰণ কৰে।

(৪) কেন্দ্ৰীয় চৰকাৰে, ন্যায়াধিকৰণৰ এজন ন্যায়িক সদস্যক ইয়াৰ অধ্যক্ষ ৰূপে নিয়োগ কৰিব।

(৫) কেন্দ্ৰীয় চৰকাৰে ন্যায়াধিকৰণৰ সদস্যসকলৰ যিকোনো এজনক ইয়াৰ জ্যেষ্ঠ সদস্যৰূপে নিয়োগ কৰিব পাৰে।

(৬) এজন জ্যেষ্ঠ সদস্য বা এজন সদস্যই, অধ্যক্ষই লিখিতভাৱে এটা সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা তেওঁলৈ আৰোপিত কৰাদৰে অধ্যক্ষৰ এনে ক্ষমতা কাৰ্য্যকৰী কৰিব আৰুএনে কৃত্য সম্পাদন কৰিব।

ন্যায়াধিকৰণলৈ আপীল।

৫৬। (১) এটা আপীল,-

(ক) এটা বৈচিত্ৰ্যৰ পঞ্জীয়ন সম্বন্ধিত প্ৰাধিকাৰী বা পঞ্জীয়কৰ কোনো আদেশ বা বিনিশ্চয়ৰ পৰা ; বা

(খ) এটা বৈচিত্ৰ্যৰ এজন এজেন্ট বা এজন অনুজ্ঞাধাৰীৰূপে পঞ্জীয়নৰ সম্বন্ধিত পঞ্জীয়কৰ কোনো আদেশ বা বিনিশ্চয়ৰ পৰা ; বা

(গ) লাভৰ অংশৰ বাবে দাবী সম্বন্ধিত প্ৰাধিকাৰীৰ কোনো আদেশ বা বিনিশ্চয়ৰ পৰা ; বা

(ঘ) বাধ্যতামূলক অনুজ্ঞাপত্ৰৰ প্ৰত্যাহাৰ বা বাধ্যতামূলক অনুজ্ঞাপত্ৰৰ ৰূপান্তৰণৰ সম্বন্ধে প্ৰাধিকাৰীৰ কোনো আদেশ বা বিনিশ্চয়ৰ পৰা ; বা

(ঙ) ক্ষতিপূৰণৰ আদায়ৰ সম্বন্ধে এই অধিনিয়ম বা ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলীৰ অধীনত প্ৰণীত প্ৰাধিকাৰীৰ কোনো আদেশ বা বিনিশ্চয়ৰ পৰা,

বিহিত অবধিৰ ভিতৰত ন্যায়াধিকৰণত কৰিব ;

(২) এনে প্ৰত্যেক আপীল লিখিতভাৱে এখন আবেদনৰ দ্বাৰা কৰা হব আৰু বিহিত কৰা দৰে এনে প্ৰ-পত্ৰত হব আৰু এনে সবিশেষবোৰ থাকিব ।

(৩) এই ধাৰাৰ অধীনত এটা আপীলৰ নিষ্পত্তিকৰণত ন্যায়াধিকৰণৰ কোনো আদেশ প্ৰণয়ন কৰিবলৈ ক্ষমতা থাকিব যিটো প্ৰাধিকাৰী বা পঞ্জীয়কে এই অধিনিয়মৰ অধীনত প্ৰণয়ন কৰিব পাৰে ।

ন্যায়াধিকৰণৰ আদেশ ।

৫৭ । (১) ন্যায়াধিকৰণে, আপীল কৰা উভয় পক্ষক শুনানীৰ এটা সুযোগ দিয়াৰ পিছত, ই উচিত বুলি ভবা দৰে ইয়াৰ ওপৰত এনে আদেশ পাৰিত কৰিব পাৰে ।

(২) ন্যায়াধিকৰণে, তথ্যত দৃশ্যমান হোৱা ক্ৰটী শুদ্ধ কৰাৰ উদ্দেশ্যে, আদেশৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰত যিকোনো সময়ত, উপ-ধাৰা (১)ৰ অধীনত ইয়াৰ দ্বাৰা পাৰিত কোনো আদেশ সংশোধন কৰিব পাৰে, আৰু এনে সংশোধন কৰিব পাৰে যদিহে ক্ৰটীটো, আপীলকাৰী বা বিৰোধীপক্ষৰ দৃষ্টি গোচৰ হয় ।

(৩) প্ৰত্যেক আপীলত ন্যায়াধিকৰণে, য'ত সম্ভৱপৰ হয়, আপীল দাখিলকৰণৰ তাৰিখৰ পৰা এবছৰৰ এটা অৱধিৰ ভিতৰত এনে আপীল শুনিব পাৰে আৰু বিনিশ্চয় কৰিব পাৰে ।

(৪) ন্যায়াধিকৰণে, পঞ্জীয়কলৈ এই ধাৰাৰ অধীনত পাৰিত কোনো আদেশৰ এটা প্ৰতিলিপি পঠিয়াব ।

(৫) এই অধিনিয়মৰ অধীনত ন্যায়াধিকৰণৰ আদেশ, এখন চিভিল ন্যায়ালয়ৰ এটা ডিক্ৰীৰূপে নিষ্পাদন যোগ্য হ'ব ।

ন্যায়াধিকৰণৰ প্ৰক্ৰিয়া ।

৫৮ । (১) ন্যায়াধিকৰণৰ ক্ষমতা আৰু কৃত্য, ইয়াৰ সদস্যসমূহৰ মাজৰ পৰা ন্যায়াধিকৰণৰ অধ্যক্ষৰ দ্বাৰা গঠিত ন্যায়পীঠৰ দ্বাৰা কাৰ্য্যকৰী আৰু নিৰ্বহন কৰিব পাৰে ।

(২) ন্যায়পীঠখন এজন ন্যায়িক সদস্য আৰু এজন কাৰিকৰী সদস্যৰে গঠিত হ'ব ।

(৩) যদি এখন ন্যায়পীঠৰ সদস্যৰ কোনো এটা যুক্তিৰ ওপৰত মতৰ অমিল হয়, তেওঁলোকৰ অমিল হোৱা যুক্তিটো বা যুক্তিবোৰৰ বিবৃতি দিব আৰু গোচৰটো, আন সদস্যৰ এক বা ততোধিকৰ দ্বাৰা এনে যুক্তি বা যুক্তিবোৰৰ শুনানীৰ বাবে অধ্যক্ষলৈ প্ৰেৰণ কৰা হব আৰু এনে যুক্তি বা যুক্তিবোৰ ইয়াৰ প্ৰথম শুনানী অন্তৰ্ভুক্ত কৰি গোচৰৰ শুনানী লোৱা সদস্যৰ সংখ্যা গৰিষ্ঠতাৰ মত অনুসৰি বিনিশ্চয় কৰা হ'ব ।

(৪) এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে ন্যায়াধিকৰণৰ ইয়াৰ নিজা প্ৰক্ৰিয়া আৰু তাৰ ন্যায়পীঠৰ প্ৰক্ৰিয়াবোৰ বিনিয়মিত কৰিবলৈ স্থান অন্তৰ্ভুক্ত কৰি যিবোৰত ন্যায়পীঠৰ বৈঠক বহিব, ইয়াৰ ক্ষমতাৰ প্ৰয়োগ আৰু ইয়াৰ কৃত্যবোৰৰ নিৰ্বহনত উদ্ভৱ হোৱা সকলো বিষয়ত ক্ষমতা থাকিব ।

(৫) ন্যায়াধিকৰণৰ, ইয়াৰ কৃত্যৰ নিৰ্বহনৰ প্ৰয়োজনাৰ্থে, সকলো ক্ষমতা থাকিব যিবোৰ ধাৰা ১১ৰ অধীনত পঞ্জীয়কক ন্যস্ত কৰা হৈছে, আৰু ন্যায়াধিকৰণত কৰা কোনো কাৰ্য্যবাহী, ধাৰা ১৯৩ আৰু ধাৰা ২২৮ৰ অৰ্থৰ ভিতৰত আৰু ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ১৯৬ৰ প্ৰয়োজনাৰ্থে ন্যায়িক কাৰ্য্যবাহী ৰূপে গণ্য হব আৰু ন্যায়াধিকৰণ, দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ১৯৫ আৰু অধ্যায় ২৬ৰ সকলো প্ৰয়োজনাৰ্থে এখন চিভিল ন্যায়ালয় বুলি গণ্য হব ।

(৬) এই অধিনিয়মৰ কোনো আন উপবন্ধাৱলীত বা তৎসময় বলবৎ কোনো আন বিধিত কোনো কথা থকা স্বত্বেও (নিষেধাজ্ঞা বা স্থগিতকৰণ বা কোনো আন ৰীতিৰ মাধ্যমেৰে হওঁক বা নহওঁক) কোনো মধ্যকালীন আদেশ এটা আপীল সম্বন্ধিত কাৰ্য্যবাহীৰ ওপৰত বা কাৰ্য্যবাহীত কৰা নহব, যদিহে --

(ক) এনে মধ্যকালীন আদেশৰ বাবে অভিবিচনৰ সমৰ্থনত এনে আপীল আৰু সকলো দস্তাবেজৰ প্ৰতিলিপি পক্ষলৈ দিয়া নহয়, যি পক্ষৰ বিৰুদ্ধে এনে আপীল কৰা হৈছে বা কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে ; আৰু

(খ) এনে পক্ষক বিষয়টোৰ শুনানীলৈ সুযোগ দিয়া হোৱা নাই ।

সংক্ৰমন কালীন উপবন্ধ ।

৫৯ । এই অধিনিয়মত কোনো কথা থকা স্বত্বেও, ধাৰা ৫৪ৰ অধীনত ন্যায়াধিকৰণ স্থাপন হোৱালৈকে, পণ্য চিহ্ন অধিনিয়ম, ১৯৯৯ৰ ধাৰা ৮৩ৰ অধীনত স্থাপিত যৌক্তিক সম্পত্তি আপীল বোৰ্ডে, ৰূপান্তকৰণ সাপেক্ষে

এই অধিনিয়মৰ অধীনত ন্যায়াধিকৰণৰ ওপৰত প্ৰদত্ত অধিকাৰিতা, ক্ষমতা আৰু প্ৰাধিকাৰিতা প্ৰয়োগ কৰিব যে এই ধাৰাৰ প্ৰয়োজনাৰ্থে স্থাপিত যৌক্তিক সম্পত্তি আপীল বোৰ্ডৰ কোনো ন্যায়পীঠত, উক্ত পন্য চিহ্ন অধিনিয়মৰ ধাৰা ৮৪ৰ উপ-ধাৰা (২)ত নিৰ্দ্দেশিত কাৰিকৰী সদস্যৰ বাবে এই অধিনিয়মৰ অধীনত কাৰিকৰী সদস্য নিয়োগ কৰা হব আৰু তেওঁক এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে ধাৰা ৮৪ৰ উক্ত উপ-ধাৰা (২)ৰ অধীনত ন্যায়পীঠ গঠনৰ বাবে কাৰিকৰী সদস্য বুলি গণ্য হ'ব।

## অধ্যায় - IX

## বিত্ত, হিচাপ আৰু হিচাপ পৰীক্ষা

কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা কৰা অনুদান।

৬০। কেন্দ্ৰীয় চৰকাৰে, এই মৰ্ম্মে বিধিৰ দ্বাৰা সংসদে দিয়া সম্যক বিনিয়োজনৰ পিছত, প্ৰাধিকাৰলৈ, এনে পৰিমাণৰ ধনৰাশিৰ অনুদান আৰু ঋণ দিব পাৰে যেনেদৰে কেন্দ্ৰীয় চৰকাৰে, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে ব্যৱহৃত হোৱাটো উচিত বুলি ভাবে।

প্ৰাধিকাৰ নিধি।

৬১। (১) উদ্ভিদ বৈচিত্ৰ্য প্ৰাধিকাৰ হিচাপ সুৰক্ষা নামেৰে এটা নিধি গঠন কৰা হব আৰু তাত নিম্নলিখিত সমূহ জমা কৰা হ'ব--

(ক) ধাৰা ৬০ৰ অধীনত কেন্দ্ৰীয় চৰকাৰে প্ৰাধিকাৰলৈ দিয়া সকলো অনুদান আৰু ঋণ ;

(খ) প্ৰাধিকাৰী আৰু পঞ্জীয়কে ধাৰা ৩৫ৰ উপ-ধাৰা (১)ৰ অধীনত লাভলাভ আৰু ৰাজহৰ ভিত্তিত অৱধাৰিত কৰা বাৰ্ষিক মাচুলৰ ব্যতিৰেকে গ্ৰহণ কৰা সকলো মাচুল ;

(গ) কেন্দ্ৰীয় চৰকাৰে ইয়াৰ ওপৰত বিনিশ্চিত কৰা দৰে এনে আন উৎসসমূহৰ পৰা প্ৰাধিকাৰীৰ দ্বাৰা গ্ৰহণ কৰা সকলো ধনৰাশি।

(২) উদ্ভিদ বৈচিত্ৰ্য প্ৰাধিকাৰ হিচাপ সুৰক্ষা, নিম্নলিখিতসমূহ পূৰণ কৰাৰ বাবে প্ৰয়োগ কৰা হব--

(ক) অধ্যক্ষ, পদাধিকাৰী আৰু প্ৰাধিকাৰৰ আন কৰ্ম্মচাৰীৰ বেতন, ভাত্ত আৰু আন পাৰিতোষিক আৰু সদস্যলৈ দেয় ভাত্তা, যদি কিবা থাকে।

(খ) ইয়াৰ কৃত্যৰ নিৰ্বহনৰ সম্পৰ্কত আৰু এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে প্ৰাধিকাৰৰ আন খৰচবোৰ।

বাজেট, হিচাপ আৰু হিচাপ পৰীক্ষা।

৬২। (১) প্ৰাধিকাৰীয়ে, (জৈৱিক নিধিৰ হিচাপ আৰু আন আনুষঙ্গিক তথ্য অন্তৰ্ভুক্ত কৰি) এখন বাজেট প্ৰস্তুত কৰিব, উচিত হিচাপ আৰু আন আনুষঙ্গিক তথ্য ৰাখিব আৰু কেন্দ্ৰীয় চৰকাৰে, ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ সৈতে পৰামৰ্শ কৰি বিহিত কৰা দৰে এনে প্ৰপত্ৰত হিচাপৰ এটা বাৰ্ষিক বিবৃতি প্ৰস্তুত কৰিব।

(২) প্ৰাধিকাৰৰ হিচাপবোৰ, এনে সময়ৰ ব্যৱধানত ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ দ্বাৰা হিচাপ কৰা হব যেনেদৰে তেওঁৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা হয় আৰু এনে হিচাপৰ সৈতে জড়িত থকা কোনো খৰচ, ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকক প্ৰাধিকাৰীৰ দ্বাৰা দিয়া হব।

(৩) ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক আৰু প্ৰাধিকাৰৰ হিচাপৰ হিচাপ পৰীক্ষাৰ সম্পৰ্কত তেওঁৰ দ্বাৰা নিযুক্ত কোনো আন ব্যক্তিৰ, ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ, সাধাৰণতে চৰকাৰী হিচাপৰ হিচাপ পৰীক্ষা সম্পৰ্কত থকা দৰে এনে হিচাপ পৰীক্ষাৰ সম্পৰ্কত একেই অধিকাৰ আৰু সা-সুবিধা আৰু প্ৰাধিকাৰ থাকিব আৰু বিশেষতঃ বহী, হিচাপ, সম্পৰ্কিত ভাউচাৰ আৰু আন দস্তাৱেজ আৰু লেখ্যৰ উপস্থাপনৰ দাবীৰ আৰু প্ৰাধিকাৰীৰ কাৰ্য্যালয়সমূহৰ যিকোনোটোৰ পৰিদৰ্শন কৰিবলৈ অধিকাৰ থাকিব।

(৪) ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ বা এই মৰ্ম্মে তেওঁৰ দ্বাৰা নিযুক্ত কোনো আন --ব্যক্তিৰ দ্বাৰা প্ৰমাণিত কৰা দৰে প্ৰাধিকাৰৰ হিচাপসমূহ ইয়াৰ ওপৰত থকা হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ সৈতে একেলগে কেন্দ্ৰীয় চৰকাৰলৈ বাৰ্ষিকভাৱে প্ৰেৰণ কৰা হব আৰু সেই চৰকাৰে একেখন সংসদৰ প্ৰত্যেক সদনত উত্থাপন কৰিব।

অধ্যক্ষৰ বিত্তীয় আৰু প্ৰশাসনিক ক্ষমতা।

৬৩। অধ্যক্ষই, বিহিত কৰা দৰে প্ৰাধিকাৰৰ কৃত্যসমূহৰ ওপৰত এনে বিত্তীয় আৰু প্ৰশাসনিক ক্ষমতা প্ৰয়োগ কৰিব ঃ

## উদ্ভিদ বৈচিত্ৰ আৰু কৃষক অধিকাৰ সুৰক্ষা অধিনিয়ম,২০০১

পৰন্তু অধ্যক্ষৰ, এজন সদস্য বা এনে আন পদাধিকাৰীৰ এনে অধিৰোপিত ক্ষমতাৰ প্ৰয়োগ কৰাৰ সময়ত, অধ্যক্ষৰ নিৰ্দ্দেশ, নিয়ন্ত্ৰন আৰু পৰ্য্যবেক্ষনৰ অধীনত চলি থকা বুলি এনে চৰ্ত্তৰ সাপেক্ষে প্ৰাধিকাৰৰ এজন সদস্য বা কোনো আন পদাধিকাৰীলৈ, তেওঁ উচিত বুলি ভবা দৰে, তেওঁৰ এনে বিত্তীয় আৰু প্ৰশাসনিক ক্ষমতা অধিৰোপিত কৰিবলৈ প্ৰাধিকাৰ থাকিব ।

### অধ্যায় - X

### অতিলঙ্ঘন, অপৰাধ, দণ্ড আৰু প্ৰক্ৰিয়া

### অতিউলঙ্ঘন

অতিলংঘন ।

৬৪ । এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে, এই অধিনিয়মৰ অধীনত স্থাপিত এটা অধিকাৰ এজন ব্যক্তিৰ দ্বাৰা অতিলঙ্ঘন কৰা হয় -

(ক) যিজনে, এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত এটা বৈচিত্ৰ্যৰ প্ৰজনক বা সেই বৈচিত্ৰ্যৰ এনে পঞ্জীভুক্ত এজেন্ট বা এজন পঞ্জীভুক্ত অনুজ্ঞাধাৰী নোহোৱাকৈ, ইয়াৰ প্ৰজনকৰ বিনা অনুমতিত বা পঞ্জীভুক্ত অনুজ্ঞাধাৰী বা যথাস্থিতি পঞ্জীভুক্ত এজেন্টৰ বিনা অনুমতিত পঞ্জীভুক্ত অনুজ্ঞাপত্ৰ বা পঞ্জীভুক্ত এজেঞ্চিৰ পৰিসৰৰ ভিতৰত এনে বৈচিত্ৰ্য বিক্ৰী, ৰপ্তানি, আমদানি বা উৎপাদন কৰে ;

(খ) যিজনে, এনেদৰে পঞ্জীভুক্ত এনে বৈচিত্ৰ্যৰ চিনাক্তকৰণৰ সাধাৰণ ৰাইজৰ মনত বিভ্ৰান্তি কৰাৰ বিষয়ে এনে ৰীতিত এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত এটা বৈচিত্ৰ্যৰ নামৰ সৈতে একে বা ভ্ৰান্তিমূলকভাৱে সদৃশ নাম দি এনে বৈচিত্ৰ্যক এনে নাম দি কোনো আন বৈচিত্ৰ্য ব্যৱহাৰ, বিক্ৰী, ৰপ্তানি, আমদানি বা উৎপাদন কৰে ।

অতিলঙ্ঘন ইত্যাদিৰ, বাবে বাদ ।

৬৫ । (১) কোনো বাদ -

(ক) এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত এটা বৈচিত্ৰ্যৰ অতিলঙ্ঘনৰ বাবে ; বা

(খ) এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত এটা বৈচিত্ৰ্যৰ কোনো অধিকাৰ সম্বন্ধত,

বাদৰ বিচাৰ কৰিবলৈ অধিকাৰিতা থকা কোনো জিলা ন্যায়ালয়ৰ অধীনস্থ কোনো ন্যায়ালয়ত, বাদ ৰুজু কৰা নহব ।

(২) উপ-ধাৰা (১)ৰ খণ্ড (ক) আৰু (খ)ৰ প্ৰয়োজনাৰ্থে ''অধিকাৰিতা থকা জিলা ন্যায়ালয়ে'' বাদ হেতুক উদ্ভৱ হোৱা অধিকাৰিতাৰ স্থানীয় পৰিসীমাৰ ভিতৰত জিলা ন্যায়ালয়ক অৰ্থ কৰিব ।

অতিলঙ্ঘনৰ বাবে বাদত থকা প্ৰতিকাৰ ।

৬৬ । এটা প্ৰতিকাৰ, যিটো এখন ন্যায়ালয়ে, ধাৰা ৬৫ত নিৰ্দ্দেশিত কৰা অতিলঙ্ঘনৰ বাবে এটা বাদৰ মঞ্জুৰ কৰিব পৰা প্ৰতিকাৰে এটা নিষেধাজ্ঞা আৰু বাদীৰ বিকল্পত লাভৰ ক্ষতি বা অংশ অন্তৰ্ভুক্ত কৰিব পাৰে ।

(২) উপ-ধাৰা (১)ৰ অধীনত নিষেধাজ্ঞাৰ আদেশে, নিম্নলিখিত বিষয়সমূহৰ যি কোনোটোৰ বাবে একপক্ষীয় নিষেধাজ্ঞা বা কোনো মধ্যৱৰ্ত্তী আদেশ অন্তৰ্ভুক্ত কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) দস্তাৱেজৰ আৱিষ্কাৰ ঃ

(খ) অতিলঙ্ঘন কৰি বৈচিত্ৰ্য বা দস্তাৱেজ বা আন সাক্ষ্যৰ সংৰক্ষন যিটো বাদৰ বিষয়বস্তুৰ সৈতে সম্বন্ধিত হয় ;

(গ) বিবাদীৰ এনে সম্পত্তিৰ ক্ৰোক যিটো ন্যায়ালয়ে ক্ষতি, খৰচ বা আন আৰ্থিক প্ৰতিকাৰ আদায় কৰিবলৈ আৱশ্যক বুলি গণ্য কৰে যিটো, বাদীক চূড়ান্তভাৱে অধিনিৰ্ণীত কৰা হয় ।

বৈজ্ঞানিক উপদেষ্টাৰ মতামত ।

৬৭ । (১) যেতিয়া ন্যায়ালয়ে কোনো তথ্যৰ প্ৰশ্ন বা এটা বৈজ্ঞানিক বিষয়ৰ ওপৰত এটা মতামত দিয়ে এনে ন্যায়ালয়ে, এজন নিৰপেক্ষ বৈজ্ঞানিক উপদেষ্টাক বিষয়টোৰ ওপৰত ইয়াক পৰামৰ্শ দিবলৈ বা তদন্ত কৰিবলৈ আৰু বাঞ্চিত মত দিয়াৰ সমৰ্থ কৰিবলৈ নিয়োগ কৰিব পাৰে ।

বৈজ্ঞানিক উপদেষ্টাজনক ন্যায়ালয়ে নিৰ্দ্ধাৰণ কৰা দৰে এনে পাৰিতোষিক বা খৰচ আদায় দিয়া হব ।

### অপৰাধ, দণ্ড আৰু প্ৰক্ৰিয়া

এটা পঞ্জীভুক্ত বৈচিত্ৰ্যৰ নাম প্ৰয়োগ কৰিবলৈ নিষেধাজ্ঞা ।

৬৮ । (১) এই অধিনিয়মৰ অধীনত এটা পঞ্জীভুক্ত বৈচিত্ৰ্যৰ প্ৰজনক বা কোনো ব্যক্তি বা এজন পঞ্জীভুক্ত অনুজ্ঞাধাৰী বা এজন পঞ্জীভুক্ত এজেন্টৰ ভিন্ন কোনো ব্যক্তিয়ে বিহিত কৰা দৰে এনে ৰীতিত সেই বৈচিত্ৰ্যৰ নাম ব্যৱহাৰ নকৰিব ।

(২) এজন ব্যক্তিক, এই অধিনিয়মৰ অধীনত এটা পঞ্জীভুক্ত বৈচিত্ৰ্যৰ নাম প্ৰয়োগ কৰা বুলি গণ্য কৰা হব যিয়ে -

(ক) নিজে বৈচিত্ৰ্যলৈ ইয়াক প্ৰয়োগ কৰে ; বা

(খ) কোনো পেকেজলৈ ইয়াৰ প্ৰয়োগ কৰে বা যিটোৰ সৈতে বৈচিত্ৰ্য, বিক্ৰীৰ বাবে বিক্ৰী কৰা বা প্ৰকট কৰা হয়, বা বিক্ৰীৰ বাবে বা ব্যৱসায় বা উৎপাদনৰ প্ৰয়োজনাৰ্থে এনে পেকেজ দখলত ৰাবে, বা

(গ) কোনো পেকেজ বা আন বস্তুত বা ইয়াৰ সৈতে বৈচিত্ৰ্য দাখিল কৰে, সংলগ্ন কৰে বা অনুবন্ধ কৰে যিটো বিক্ৰী কৰা হয় বা বিক্ৰীৰ বাবে প্ৰকট কৰা হয়, বা বিক্ৰীৰ বাবে বা ব্যৱসায় বা উৎপাদনৰ প্ৰয়োজনাৰ্থে দখলত ৰখা হৈছিল, য'লৈ এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত এনে বৈচিত্ৰ্যৰ নাম প্ৰয়োজ্য হয়; বা

(ঘ) এই অধিয়মৰ অধীনত পঞ্জীভুক্ত এনে বৈচিত্ৰ্যৰ নাম কোনো ৰীতিত ব্যৱহাৰ কৰা হৈছে যাৰ দ্বাৰা এনে যুক্তিযুক্তভাৱে বিশ্বাস কৰাৰ সম্ভাৱনা থাকে যে বৈচিত্ৰ্য বা ইয়াৰ প্ৰসাৰ সামগ্ৰী যিটোৰ সম্পৰ্কত এইটো ব্যৱহৃত হৈছে, সেই নামৰ দ্বাৰা প্ৰভেদ বা বৰ্ণনা দেখুওৱা হৈছে ; বা

(ঙ) বৈচিত্ৰ্যৰে সম্বন্ধত, কোনো বিজ্ঞাপন, চালান, তালিকা, ব্যৱসায় চিঠি, ব্যৱসায় পত্ৰ, মূল্য তালিকা বা আন ব্যৱসায়িক দস্তাবেজত এনে নাম ব্যৱহাৰ কৰে আৰু এনেদৰে ব্যৱহৃত হোৱা নামৰ এটা প্ৰসঙ্গ নিৰ্দ্দেশৰ দ্বাৰা কৰা অনুৰোধ বা দিয়া আদেশৰ অনুসৰণত এজন ব্যক্তিলৈ এনে বৈচিত্ৰ্য পৰিদান কৰা হয়।

(৩) এটা নাম, এনে বৈচিত্ৰ্য বা কোনো পেকেট বা আন বস্তুত ই বোৱাই হওঁক, সাঁচ বহুৱাই হওঁক বা অন্যথা কাম কৰি, বা সংলগ্ন বা অনুবন্ধ কৰিয়েই হওঁক, বৈচিত্ৰ্যলৈ প্ৰয়োগ কৰা বুলি গণ্য কৰা হব।

এটা পঞ্জীভুক্ত বৈচিত্ৰ্যৰ মিথ্যাৰূপে প্ৰয়োগ কৰা নামৰ অৰ্থ।

৬৯। (১) কোনো ব্যক্তিক এই অধিনিয়মৰ অধীনত এটা পঞ্জীভুক্ত বৈচিত্ৰ্যৰ নাম মিথ্যাৰূপে প্ৰয়োগ কৰা বুলি গণ্য কৰা হব,যিয়ে এনে বৈচিত্ৰ্যৰ প্ৰজনকৰ সন্মতি বিনা,-

(ক) কোনো বৈচিত্ৰ্য বা এনে বৈচিত্ৰ্য থকা কোনো পেকেজত এনে নাম বা ঠগমূলকভাৱে সদৃশ নাম প্ৰয়োগ কৰে ;

(খ) এটা নাম বহন কৰা কোনো পেকেজ ব্যৱহাৰ কৰে, পৰিচায়ক বা যিটো, এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত এনে বৈচিত্ৰ্যৰ ভিন্ন, কোনো বৈচিত্ৰ্যৰ বন্ধা, ভৰোৱা বা মেৰিওৱাৰ প্ৰয়োজনাৰ্থে, এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত এনে বৈচিত্ৰ্যৰ নামৰ সৈতে একে বা ঠগমূলক ৰূপে সদৃশ হয়।

(২) উপ-ধাৰা (১)ত উল্লিখিত দৰে এই অধিনিয়মৰ অধীনত মিথ্যাৰূপে প্ৰয়োগ হোৱা এটা পঞ্জীভুক্ত বৈচিত্ৰ্যৰ কোনো নাম, এই অধিনিয়মখনত, এটা মিথ্যা নাম ৰূপে নিৰ্দেশিত হয়।

(৩) কোনো কাৰ্য্যবাহীত, এই অধিনিয়মৰ অধীনত এটা পঞ্জীভুক্ত বৈচিত্ৰ্যৰ এটা নাম মিথ্যাৰূপে প্ৰয়োগ কৰাৰ বাবে, এনে বৈচিত্ৰ্যৰ প্ৰজনকৰ সন্মতিৰ প্ৰমাণৰ ভাৰ অভিযুক্তৰ ওপৰত চলিব।

মিথ্যা নাম, ইত্যাদি প্ৰয়োগৰ বাবে দণ্ড।

৭০। (১) কোনো ব্যক্তি যিয়ে,-

(ক) কোনো বৈচিত্ৰ্যত কোনো মিথ্যা নাম প্ৰয়োগ কৰে ; বা

(খ) এখন দেশ বা স্থানৰ মিথ্যা নাম বা এনে বৈচিত্ৰ্যৰ ব্যৱসায়ৰ ক্ৰমত এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত এটা বৈচিত্ৰ্যৰ প্ৰজনকৰ মিথ্যা নাম আৰু ঠিকনা নিৰ্দ্দেশিত কৰে, তেওঁ প্ৰৱঞ্চনা, কৰাৰ প্ৰয়াস নকৰাকৈ, তেওঁ কাৰ্য্য কৰা বুলি প্ৰমাণ নকৰালৈকে, কাৰাবাসেৰে যিটো তিনিমাহৰ অনধিক কিন্তু দুবছৰলৈ বিস্তৃত হব পাৰে বা জৰিমনাৰে যিটো পঞ্চাশ হেজাৰ টকাৰ অনধিক কিন্তু যিটো পাঁচ লাখ টকালৈ বিস্তৃত হব পাৰে বা উভয়েৰে দণ্ডনীয় হব।

মিথ্যা নাম, ইত্যাদিলৈ প্ৰয়োগ হোৱা বৈচিত্ৰ্য বিক্ৰীৰ বাবে দণ্ড।

৭১। কোনো ব্যক্তি যিজনে, কোনো বৈচিত্ৰ্য বিক্ৰীকৰে বা বিক্ৰীৰ বাবে প্ৰকট কৰে, বা বিক্ৰীৰ বাবে বা বৈচিত্ৰ্যৰ ব্যৱসায় বা উৎপাদনৰ কোনো প্ৰয়োজনাৰ্থে বিক্ৰীৰ বাবে তেওঁৰ দখলত ৰাখে যিটোত কোনো মিথ্যা নাম প্ৰয়োগ কৰা হয়, বা যিটোলৈ দেশ বা স্থানৰ এটা নিৰ্দ্দেশ য'ত এনে বৈচিত্ৰ্য কৰা হয় বা উৎপন্ন কৰা হয় বা এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত এনে বৈচিত্ৰ্যৰ প্ৰজনকৰ নাম বা ঠিকনা মিথ্যা ৰূপে দিয়া হয়, যদিহে তেওঁ প্ৰমাণ নকৰে -

## উদ্ভিদ বৈচিত্র আৰু কৃষক অধিকাৰ সুৰক্ষা অধিনিয়ম,২০০১

(ক) যে এই ধাৰাৰ বিৰুদ্ধে এটা অপৰাধ সংঘটনৰ বিৰুদ্ধে সকলো যুক্তিসঙ্গঁত সতৰ্কতা লোৱাত, তেওঁ অভিকথিত অপৰাধৰ সংঘটনৰ সময়ত এনে বৈচিত্ৰ্যৰ নামৰ সত্যতাক কোনো কাৰণতেই সন্দেহ কৰিবলৈ কাৰণ নাছিল বা কোনো অপৰাধ কোনো দেশ বা স্থানৰ নিৰ্দ্দেশৰ সম্বন্ধত সংঘটিত হৈছিল য'ত, এই অধিনিয়মৰ অধীনত এনে পঞ্জীভুক্ত বৈচিত্ৰ্য আৰু এনে বৈচিত্ৰ্যৰ প্ৰজনকৰ নাম আৰু ঠিকনা দিয়া বা উৎপাদন কৰা হৈছিল ;

(খ) যে অভিযোজকৰ দ্বাৰা বা হকে কোনো দাবীত, তেওঁ এনে বৈচিত্ৰ্য লাভ কৰা ব্যক্তিৰ সম্বন্ধে তেওঁ তেওঁৰ দখলত থকা সকলো তথ্য দিছিল ; বা

(গ) যে অন্যথা তেওঁ সাধুতাৰে কাৰ্য্য কৰিছিল,

তেওঁ ছমাহৰ অনধিক কিন্তু দুবছৰলৈ বিস্তৃত হব পৰা এটা অৱধিৰ কাৰাবাসেৰে, বা পঞ্চাশ হেজাৰ টকাৰ অনধিক কিন্তু পাচঁ লাখ টকালৈ বিস্তৃত হব পৰা এটা জৰিমনাৰে, বা উভয়েৰে দণ্ডনীয় হব ।

*এটা বৈচিত্ৰ্য পঞ্জীভুক্ত বুলি মিথ্যাৰূপে বৰ্ণনা দিয়াৰ বাবে দণ্ড।*

৭২ । যিজনেই, এটা বৈচিত্ৰ্যৰ নাম বা ইয়াৰ প্ৰসাৰ সামগ্ৰী বা অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্য বা বৈচিত্ৰ্য নোহোৱা ইয়াৰ প্ৰসাৰ সামগ্ৰী বা ইয়াৰ প্ৰসাৰ সামগ্ৰী বা অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত কৰা, বৈচিত্ৰ্য বা এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত ইয়াৰ প্ৰসাৰ সামগ্ৰীৰ সম্বন্ধে এনে প্ৰভাৱলৈ যে এইটো বৈচিত্ৰ্য বা ইয়াৰ প্ৰসাৰ সামগ্ৰী বা অত্যাৱশকীয়ভাৱে প্ৰাপ্ত কৰা বৈচিত্ৰ্য বা এই অধিনিয়মৰ অধীনত পঞ্জীভ ক্ত নোহোৱা ইয়াৰ প্ৰসাৰ সামগ্ৰী এনে প্ৰভাৱলৈ যে ই, এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত বুলি কোনো মিথ্যা বৰ্ণনা দি এই মৰ্ম্মে প্ৰভাৱিত কৰে তেওঁ ছমাহৰ অনধিক কিন্তু তিনিবছৰলৈ বিস্তৃত হব পৰা এটা অৱধিৰ কাৰাবাসেৰে, বা এক লাখৰ অনধিক কিন্তু পাচঁ লাখলৈ বিস্তৃত হব পৰা এটা জৰিমনাৰে, বা উভয়েৰে দণ্ডনীয় হব ।

*অনুবৰ্ত্তী অপৰাধৰ বাবে দণ্ড ।*

৭৩ । যিজনেই, এই অধিনিয়মৰ অধীনত এটা অপৰাধত ইতিমধ্যে দোষী সাব্যস্ত হৈছে, একে অপৰাধত পুনৰ দোষী সাব্যস্ত হয়, তেওঁ দ্বিতীয় আৰু প্ৰত্যেক অনুৱৰ্ত্তী অপৰাধৰ বাবে, এবছৰৰ অনধিক কিন্তু তিনি বছৰলৈ বিস্তৃত হব পৰা এটা অৱধিৰ কাৰাবাসেৰে বা দুই লাখৰ অনধিক কিন্তু বিশ লাখলৈ বিস্তৃত হব পৰা এটা জৰিমনাৰে, বা উভয়ৰে দণ্ডনীয় হব ।

*কেতবোৰ ক্ষেত্ৰত অপৰাধ নহব ।*

৭৪ । অপৰাধবোৰৰ সম্বন্ধৰ এই অধিনিয়মৰ উপৰন্ধাৱলী এই অধিনিয়মৰ দ্বাৰা স্বীকৃতি ৰূপে সৃষ্ট অধিকাৰৰ সাপেক্ষে হব আৰু কোনো কাৰ্য্য বা ক্ৰুটীক এই অধিনিয়মৰ উপৰন্ধাৱলীৰ অধীনত এটা অপৰাধ বুলি গণ্য কৰা নহব যদিহে এনে কাৰ্য্য বা ক্ৰুটী এই অধিনিয়মৰ অধীনত অনুমতিযোগ্য হয় ।

*ব্যৱসায়ৰ সাধাৰণ ক্ৰমত নিয়োজিত কেতবোৰ ব্যক্তিৰ অব্যাহতি ।*

৭৫ । য'ত এই অধিনিয়মৰ অধীনত এটা অপৰাধত অভিযুক্ত এজন ব্যক্তিয়ে প্ৰমাণ কৰে যে তেওঁৰ নিয়োজনৰ সাধাৰণ ক্ৰমত, তেওঁ কোনো অভিপ্ৰায় নোহোৱাকৈ অপৰাধটো সংঘটন কৰিবলৈ, কাৰ্য্য কৰে আৰু দোষাৰোপিত অপৰাধৰ সংঘটনৰ বিৰুদ্ধে সকলো যুক্তিসঙ্গত সতৰ্কতা লোৱাত, তেওঁৰ, অভিকথিত অপৰাধৰ সংঘটনৰ সময়ত এটা অপৰাধৰূপে এনেদৰে দোষাৰোপিত কাৰ্য্যৰ সত্যতাক সন্দেহ কৰিবলৈ কোনো কাৰণ নাছিল আৰু অভিযোজকৰ দ্বাৰা বা হকে কৰা এটা দাবীৰ ওপৰত, তেওঁ ব্যক্তিসমূহৰ সম্বন্ধত যাৰ হকে অপৰাধ সংঘটিত কৰা হৈছিল, তেওঁৰ দখলত থকা সকলো তথ্য দিছিল, তেওঁক খালাচ দিয়া হব ।

*প্ৰক্ৰিয়া য'ত পঞ্জীয়ণৰ অবৈধতা অভিযুক্তৰ দ্বাৰা ওকালতি কৰাৰ হয় ।*

৭৬ । (১) য'ত এই অধিনিয়মৰ অধীনত দোষাৰোপিত এটা অপৰাধ এটা বৈচিত্ৰ্য বা ইয়াৰ প্ৰসাৰ সামগ্ৰী বা অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰতা বা এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত ইয়াৰ প্ৰসাৰ সামগ্ৰীৰ সম্বন্ধত হয় আৰু অভিযুক্তই, এনে বৈচিত্ৰ্য বা ইয়াৰ প্ৰসাৰ সামগ্ৰী বা অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্য বা যথাস্থিতি, ইয়াৰ প্ৰসাৰ সামগ্ৰীৰ পঞ্জীয়ন অবৈধ বুলি ওকালতি কৰে আৰু ন্যায়ালয়ে সন্তুষ্ট হয় যে এনে অপৰাধ প্ৰথম সাক্ষ্যত গ্ৰহনীয় নহয়, অভিযোগৰ কাৰ্য্যবাহী অগ্ৰসৰ নহব কিন্তু অভিযুক্তক দাখিল কৰিবলৈ সমৰ্থ্যবান কৰিবলৈ অভিযুক্তৰ আপত্তি নথিভুক্ত হোৱা তাৰিখৰ পৰা তিনিমাহৰ বাবে কাৰ্য্যবাহী আৰু পঞ্জীৰ শুদ্ধকৰণৰ বাবে পঞ্জীয়ন যে অবৈধ এই আধাৰৰ ওপৰত পঞ্জীৰ শুদ্ধকৰণৰ বাবে এই অধিনিয়মৰ অধীনত পঞ্জীয়কৰ সমক্ষত আবেদন স্থগিত ৰাখিব ।

(২) যদিহে অভিযুক্তই ন্যায়ালয়ত প্ৰমাণ কৰে যে তেওঁ,এনে পৰিসীমিত সময়ৰ ভিতৰত বা ন্যায়ালয়ে পৰ্য্যাপ্ত কাৰণৰ অনুমতি দিয়া দৰে এনে অতিৰিক্ত সময়ৰ ভিতৰত এনে আবেদন কৰে

অভিযোজনত অতিৰিক্ত কাৰ্য্যবাহী শুদ্ধকৰণৰ বাবে এনে আবেদনৰ নিষ্পত্তি হোৱালৈকে, বাহাল থাকিব।

(৩) যদিহে তিনি মাহৰ অৱধিৰ ভিতৰত বা ন্যায়ালয়ৰ দ্বাৰা অনুমতি দিয়া দৰে এনে বিস্তৃত সময়ৰ ভিতৰত অভিযুক্তই, পঞ্জীৰ শুদ্ধকৰণৰ বাবে পঞ্জীয়কলৈ আবেদন কৰিবলৈ অসফল হয়, ন্যায়ালয়ে, গোচৰৰ কাৰ্য্যবাহীৰ অগ্ৰসৰ হব যেনিবা পঞ্জীয়ন বৈধহে আছিল।

(৪) য'ত, উপ-ধাৰা (১)ত নিৰ্দ্দেশিত এটা অপৰাধৰ এটা অভিযোগ ৰুজু কৰাৰ পূৰ্বে, বৈচিত্ৰ্য বা ইয়াৰ প্ৰসাৰ সামগ্ৰী বা অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্য বা যথাস্থিতি, ইয়াৰ প্ৰসাৰ সামগ্ৰীৰ পঞ্জীয়ন সম্বন্ধীয় পঞ্জীৰ সংশোধনৰ বাবে কৰা কোনো আবেদন, এনে পঞ্জীয়নৰ অবৈধতাৰ আধাৰত প্ৰশ্নগত হোৱাত, ইতিমধ্যে উচিত ৰূপে কৰা হয় আৰু পঞ্জীয়কৰ আগত স্থগিত থাকে, ন্যায়ালয়ে, পূৰ্বেৰ্বাক্ত আবেদনৰ নিষ্পত্তি বাহাল ৰখা অভিযোজনত অতিৰিক্ত কাৰ্য্যবাহী স্থগিত ৰাখিব আৰু সংশোধনৰ বাবে আবেদনৰ পৰিণামৰ অনুকূল হোৱা অভিযুক্তৰ বিৰুদ্ধে দোষাৰোপন নিৰ্দ্ধাৰণ কৰিব।

কোম্পানীৰ দ্বাৰা কৰা অপৰাধ।

৭৭। (১) যদিহে, এই অধিনিয়মৰ অধীনত এটা অপৰাধ সংঘটন কৰা কোনো ব্যক্তি এটা কোম্পানী হয়, তেন্তে কোম্পানী আৰু অপৰাধৰ সংঘটনৰ সময়ত ইয়াৰ ব্যৱসায়ৰ পৰিচালনাৰ বাবে কোম্পানীৰ ভাৰ আৰু দায়িত্বত থকা প্ৰত্যেক ব্যক্তিক এই অপৰাধটোৰ বাবে দোষী বুলি গণ্য কৰা হব আৰু ইয়াৰ বিৰুদ্ধে কাৰ্য্যবাহীত অগ্ৰসৰ হবলৈ দায়ী হব আৰু তদনুসাৰে দণ্ডিত হব ঃ

পৰন্তু এই উপ-ধাৰাত থকা কোনো কথাই, কোনো ব্যক্তিক কোনো দণ্ডৰ বাবে দায়ী নকৰিব যদিহে তেওঁ, প্ৰমাণ কৰে যে অপৰাধটো তেওঁৰ অজ্ঞাতে সংঘটিত হৈছিল বা তেওঁ এনে অপৰাধৰ সংঘটন প্ৰতিৰোধ কৰিবলৈ সকলো সম্যক তৎপৰতা প্ৰয়োগ কৰিছিল।

(২) উপ-ধাৰা (১)ত কোনো কথা থকা স্বত্বেও, এই অধিনিয়মৰ অধীনত য'ত এটা অপৰাধ এটা কোম্পানীৰ দ্বাৰা সংঘটিত হয় আৰু এইটো প্ৰমাণিত হয় যে অপৰাধটো কোনো নিৰ্দ্দেশক, পৰিচালক, সচিব বা কোম্পানীৰ আন পদাধিকাৰীৰ সন্মতি বা মৌন সন্মতিত সংঘটিত কৰা হৈছে বা অপৰাধৰ সংঘটন কোনো নিৰ্দ্দেশক, পৰিচালক, সচিব বা কোম্পানীৰ আন পদাধিকাৰীৰ পক্ষত কোনো অৱহেলাৰ কাৰণত আৰোপনীয় হয়, এনে নিৰ্দ্দেশক, পৰিচালক, সচিব বা আন পদাধিকাৰীকো সেই অপৰাধৰ বাবে দোষী বুলি গণ্য কৰা হব আৰু ইয়াৰ বিৰুদ্ধে কাৰ্য্যবাহীত অগ্ৰসৰ হবলৈ দায়ী হব আৰু তদনুসাৰে দণ্ডিত হব।

**স্পষ্টীকৰণ**- এই ধাৰাৰ প্ৰয়োজনাৰ্থে,-

(ক) ''কোম্পানী'' মানে কোনো ব্যক্তি নিকায় আৰু ই এখন ফাৰ্ম বা ব্যক্তিৰ আন সংগঠনক অন্তৰ্ভুক্ত কৰে ; আৰু

(খ) এখন ফাৰ্মৰ সম্বন্ধত ''নিৰ্দ্দেশক'' মানে ফাৰ্মত থকা এজন ভাগীদাৰ।

## অধ্যায়- XI

## বিবিধ

ভাৰতৰ নিৰাপত্তা প্ৰতিৰক্ষা।

৭৮। এই অধিনিয়মত কোনো কথা থকা স্বত্বেও, প্ৰাধিকাৰী বা পঞ্জীয়কে -

(ক) এই অধিনিয়মৰ অধীনত এটা বৈচিত্ৰ্যৰ পঞ্জীয়ন সম্বন্ধিত কোনো তথ্য বা এটা বৈচিত্ৰ্যৰ পঞ্জীয়ন সম্পৰ্কীয়, কোনো আবেদন প্ৰকাশ নকৰিব, যিটো ই ভাৰতৰ নিৰাপত্তাৰ স্বাৰ্থত প্ৰতিকূল প্ৰভাৱী বুলি বিবেচনা কৰে ; আৰু

(খ) এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত এনে বৈচিত্ৰ্যৰ পঞ্জীয়নৰ বাতিলকৰণৰ সম্বন্ধত কোনো কাৰ্য্যব্যৱস্থা লব যিটো কেন্দ্ৰীয় চৰকাৰে ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, ভাৰতৰ নিৰাপত্তাৰ স্বাৰ্থত, বিনিৰ্দ্দিষ্ট কৰে।

**স্পষ্টীকৰণ**- এই ধাৰাৰ প্ৰয়োজনাৰ্থে ''ভাৰতৰনিৰাপত্তা'' অভিব্যক্তি মানে ভাৰতৰ নিৰাপত্তাৰ বাবে আৱশ্যকীয় কোনো কাৰ্য্যব্যৱস্থা যিটো, যুদ্ধ বা সামৰিক ব্যৱস্থাপনৰ প্ৰয়োজনাৰ্থে বা যুদ্ধ বা আন্তৰ্জাতিক সম্বন্ধত আন জৰুৰী অৱস্থাৰ প্ৰয়োজনাৰ্থে প্ৰত্যক্ষভাৱে বা পৰোক্ষভাৱে এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত

কোনো বৈচিত্ৰ্যৰ কোনো উৎপাদনৰ ব্যৱহাৰলৈ, সম্পৰ্কিত হয়।

পঞ্জীভুক্ত বৈচিত্ৰ্য ইত্যাদিৰ, বিক্ৰীৰ ওপৰত বিৱক্ষিত অধিপত্ৰ।

৭৯। য'ত এটা বৈচিত্ৰ্য বা ইয়াৰ প্ৰসাৰ সামগ্ৰী বা অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্য বা এই অধিনিয়মৰ অধীনত পঞ্জীভুক্ত ইয়াৰ প্ৰসাৰ সামগ্ৰীৰ এটা নাম, এনে বৈচিত্ৰ্য বা ইয়াৰ প্ৰসাৰিত সামগ্ৰী বা অত্যাৱশ্যকীয় ভাৱে প্ৰাপ্ত বৈচিত্ৰ্য বা যথাস্থিতি, ইয়াৰ প্ৰসাৰিত সামগ্ৰীৰ বিক্ৰীৰ ওপৰত বা বিক্ৰীৰ বাবে কৰা সংবিদাত বৈচিত্ৰ্য বা ইয়াৰ প্ৰসাৰ সামগ্ৰী বা অত্যাৱশ্যকীয় ভাৱে প্ৰাপ্ত বৈচিত্ৰ্য বা যথাস্থিতি ইয়াৰ প্ৰসাৰ সামগ্ৰী প্ৰয়োগ কৰা হয়, বিক্ৰেতা নিশ্চিত বুলি গণ্য হব যে নাম এটা যথাৰ্থ নাম আৰু মিথ্যাৰূপে প্ৰয়োগ হোৱা নাই, যদিহে বিক্ৰেতাৰ দ্বাৰা বা হকে স্বাক্ষৰিত বৈপৰীত অভিব্যক্ত নহয় বা বৈচিত্ৰ্য বা ইয়াৰ প্ৰসাৰ সামগ্ৰী বা অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্য বা যথাস্থিতি ইয়াৰ প্ৰসাৰ সামগ্ৰীৰ বিক্ৰীৰ সময়ত প্ৰদত্ত নহয় বা ক্ৰেতাৰ সংবিদা বা ক্ৰেতাৰ দ্বাৰা গ্ৰহণ কৰা নহয়।

কাৰ্য্যবাহীত পক্ষৰ মৃত্যু।

৮০। যদি এজন ব্যক্তি যিজনে এই অধিনিয়মৰ অধীনত (এখন ন্যায়ালয়ৰ কাৰ্য্যবাহী নোহোৱা) এটা কাৰ্য্যবাহীৰ পক্ষ হয়, সেই ব্যক্তিৰ স্বাৰ্থৰ সংক্ৰামনৰ কাৰ্য্যবাহী লম্বিত থকাত, মৃত্যু হয়, প্ৰাধিকাৰী বা যথাস্থিতি, পঞ্জীয়কে, এনে প্ৰাধিকাৰী বা পঞ্জীয়কৰ অনুৰোধত আৰু সন্তুষ্টিৰ প্ৰমাণৰ ওপৰত, কাৰ্য্যবাহীত তেওঁৰ স্থানৰ স্বাৰ্থত, উত্তৰাধিকাৰী প্ৰতিষ্ঠাপিত কৰিব পাৰে, বা যদিহে প্ৰধিকাৰ বা পঞ্জীয়কে মত দিয়ে যে মৃত ব্যক্তিৰ স্বাৰ্থ জীৱিত পক্ষৰ দ্বাৰা পৰ্য্যাপ্তৰূপে প্ৰতিনিধিত্ব কৰা হৈছে, তেন্তে তেওঁৰ স্বাৰ্থত উত্তৰাকাৰীৰ প্ৰতিষ্ঠাপন নোহোৱাকৈ কাৰ্য্যবাহী চলাই থাকিবলৈ অনুমতি দিব পাৰে।

পঞ্জীভুক্ত এজেন্ট আৰু পঞ্জীভূক্ত অনুজ্ঞাপত্ৰধাৰীৰ বাদ ৰুজু কৰিবলৈ অধিকাৰ।

৮১। এটা বৈচিত্ৰ্য বা ইয়াৰ প্ৰসাৰ সামগ্ৰী বা অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্য বা এই অধিনিয়মৰ অধীনত ইয়াৰ পঞ্জীভুক্ত প্ৰসাৰ সামগ্ৰীৰ এজন পঞ্জীভুক্ত এজেন্ট বা পঞ্জীভুক্ত অনুজ্ঞাপত্ৰধাৰীয়ে, এনে বৈচিত্ৰ্য বা ইয়াৰ প্ৰসাৰ সামগ্ৰীবা অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্য বা যথাস্থিতি ইয়াৰ প্ৰসাৰ সামগ্ৰীৰ প্ৰজনকৰ হকে এই অধিনিয়মৰ অধীনত ন্যায়ালয়ত সমুচিত কাৰ্য্যবাহী কৰিব পাৰে, যদিহে এনে এজেন্ট বা অনুজ্ঞাপত্ৰধাৰীক এনেবোৰ কৰাৰ বাবে এনে প্ৰজনকৰ দ্বাৰা বিহিত ৰীতিত, প্ৰাধিকৃত কৰা হৈছে।

পঞ্জী, ইত্যাদিত প্ৰৱিষ্টিৰ সাক্ষ্য আৰু প্ৰাধিকাৰ আৰু পঞ্জীয়কৰ দ্বাৰা কৰা কাৰ্য্য।

৮২। (১) প্ৰাধিকাৰী বা পঞ্জীয়কৰ দ্বাৰা প্ৰমাণিত হবলৈ তাৎপৰ্য্যিত হোৱা আৰু এনে প্ৰাধিকাৰ বা যথাস্থিতি পঞ্জীয়কৰ চীল মোহৰ সহ পঞ্জীত কোনো প্ৰৱিষ্টি বা অধিনিয়মৰ অধীনত জাৰি কৰা কোনো দস্তাৱেজৰ এটা প্ৰতিলিপি মূলৰ অতিৰিক্ত প্ৰমাণ বা উপস্থাপন নোহোৱাকৈ সকলো ন্যায়ালয়ৰ আৰু সকলো কাৰ্য্যবাহীত সাক্ষ্যত গ্ৰহণ কৰা হব।

(২) প্ৰাধিকাৰ বা যথাস্থিতি পঞ্জীয়কৰ হস্তাক্ষৰেৰে তাৎপৰ্যিত হোৱা এখন প্ৰমাণ পত্ৰ, কোনো প্ৰৱিষ্টিৰ বিষয়ে বা বস্তুৰ বিষয়ে যে এনে প্ৰাধিকাৰী বা পঞ্জীয়কক এনেদৰে প্ৰণয়ন কৰা বা কৰিবলৈ এই অধিনিয়ম বা নিয়মাৱলীৰ দ্বাৰা প্ৰাধিকৃত কৰা হয়, প্ৰণয়ন কৰা এনে প্ৰৱিষ্টিৰ, আৰু ইয়াৰ বিষয়বস্তুৰ, বা প্ৰৱিষ্টি কৰা বা নকৰা এনে বিষয়ে বা বস্তুৰ প্ৰথম সাক্ষ্য হব।

প্ৰাধিকাৰ, পঞ্জীয়ক আৰু আন পদাধিকাৰীয়ে পঞ্জী, ইত্যাদিৰ দাখিল কৰণলৈ বাধ্য নহব।

৮৩। প্ৰাধিকাৰী বা যথাস্থিতি পঞ্জীয়কৰ অধীনত কাম কৰা প্ৰাধিকাৰী বা পঞ্জীয়ক বা কোনো পদাধিকাৰীক, কোনো বৈধ কাৰ্য্যবাহীত, পঞ্জী বা ইয়াৰ বা তেওঁৰ অভিৰক্ষাত থকা কোনো আন দস্তাৱেজ দাখিল কৰিবলৈ বাধ্য কৰা নহব, যিটোৰ অন্তৰ্বস্তুবিহিত ৰীতিত এই অধিনিয়মৰ অধীনত জাৰি কৰা এখন প্ৰমাণিত প্ৰতিলিপিৰ দাখিলকৰণৰ দ্বাৰা প্ৰমাণ কৰিব পাৰি বা তাত অভিলেখিতহোৱা বিষয় প্ৰমাণ কৰিবলৈ এজন সাক্ষী ৰূপে প্ৰতীত হবলৈ বাধ্য নহব যদিহে ন্যায়ালয়ৰ আদেশৰ দ্বাৰা বিশেষ কাৰণৰ বাবে কৰা নহয়।

দস্তাৱেজ জন পৰিদৰ্শনলৈ মুকলি থাকিব।

৮৪। কোনো ব্যক্তিয়ে, প্ৰাধিকাৰী বা যথাস্থিতি পঞ্জীয়কলৈ কৰা এখন আবেদনৰ ওপৰত আৰু বিহিত কৰা দৰে এনে মাচুলৰ আদায়ত, এনে প্ৰাধিকাৰ বা পঞ্জীয়কৰ সমক্ষত লম্বিত থকা এই অধিনিয়মৰ অধীনত কোনো কাৰ্য্যবাহীত পঞ্জী বা কোনো আন দস্তাৱেজত কোনো প্ৰৱিষ্টিৰ এটা প্ৰমাণিত প্ৰতিলিপি লাভ কৰিব পাৰে বা এনে প্ৰৱিষ্টি বা দস্তাৱেজ পৰিদৰ্শন কৰিব পাৰে।

প্ৰাধিকাৰৰ প্ৰতিবেদন সংসদত উপস্থাপিত কৰা হব।

৮৫। কেন্দ্ৰীয় চৰকাৰে, এই অধিনিয়মৰ অধীনত প্ৰাধিকাৰৰ কাৰ্য্যকৰণৰ সম্বন্ধে এটা প্ৰতিবেদন বছৰত এবাৰ সংসদৰ উভয় সদনত উপস্থাপিত কৰিবলৈ কাৰিত কৰিব।

চৰকাৰ আবদ্ধ থাকিব। ৮৬। এই অধিনিয়মৰ উপৰন্ধাৱলী চৰকাৰৰ ওপৰত আৱদ্ধ থাকিব।

প্ৰাধিকাৰী বা পঞ্জীয়কৰ ওচৰত কৰা কাৰ্য্যবাহী। ১৮৬০ৰ ৪৫ ১৯৭৪ৰ ২

৮৭। এই অধিনিয়মৰ অধীনত বৈচিত্ৰ্য বা অত্যাৱশ্যকীয়ভাৱে প্ৰাপ্ত বৈচিত্ৰ্যৰ পঞ্জীয়ন, এজেন্টৰ পঞ্জীয়ন, অনুজ্ঞাপত্ৰৰ পঞ্জীয়ন বা বাধ্যতামূলক অনুজ্ঞাপত্ৰৰ পঞ্জীয়ন সম্বন্ধিত, প্ৰাধিকাৰী বা যথাস্থিতি পঞ্জীয়কৰ সমক্ষত থকা সকলো কাৰ্য্যবাহী, ধাৰা ১৯৩ আৰু ধাৰা ২২৮ৰ অৰ্থৰ ভিতৰত ন্যায়িক কাৰ্য্যবাহী বুলি গণ্য হ'ব আৰু ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ১৯৬ৰ প্ৰয়োজনাৰ্থে আৰু প্ৰাধিকাৰী বা যথাস্থিতি পঞ্জীয়কক, দণ্ড প্ৰক্ৰিয়া সংহিতা ১৯৭৩ৰ ধাৰা ১৯৫ আৰু অধ্যায় ২৬ৰ প্ৰয়োজনাৰ্থে এখন চিভিল ন্যায়ালয় বুলি গণ্য কৰা হব।

সদ্ বিশ্বাসত কৰা কাৰ্য্যৰ সুৰক্ষা। ৮৮। কোনো বাদ, অভিযোজন বা আন বিধিক কাৰ্য্যবাহী, বা কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে এই অধিনিয়ম বা তাৰ অধীনত প্ৰণীত কোনো নিয়ম, বিনিয়ম, আৰ্চনি বা আদেশৰ অনুসৰণত সদ্ বিশ্বাসত কৰা বা কৰা বুলি অভিপ্ৰেত হোৱা কোনো কাৰ্য্যৰ বাবে, এনে চৰকাৰৰ অধীনত কাৰ্য্য কৰা কোনো অধ্যক্ষ বা সদস্য বা পঞ্জীয়ক বা কোনো আন ব্যক্তিৰ বিৰুদ্ধে বা এই অধিনিয়মৰ উপৰন্ধাৱলীৰ অধীনত কাৰ্য্য কৰা প্ৰাধিকাৰ বা পঞ্জীয়কৰ বিৰুদ্ধে নচলিব।

অধিকাৰিতাৰ প্ৰতিবন্ধক। ৮৯। কোনো চিভিল ন্যায়ালয়ৰ, কোনো বিষয়ৰ ক্ষেত্ৰত অধিকাৰিতা নাথাকিব যিটো প্ৰাধিকাৰী বা পঞ্জীয়ক বা ন্যায়াধিকৰণক, এই অধিনিয়মৰ দ্বাৰা বা অধীনত নিৰ্দ্ধাৰণ কৰিবলৈ ক্ষমতাৰোপিত কৰা হয়।

প্ৰাধিকাৰ, ইত্যাদিৰ সদস্য আৰু কৰ্মচাৰী লোকসেৱক হ'ব। ৯০। অধ্যক্ষ, সদস্য, পদাধিকাৰী আৰু প্ৰাধিকাৰৰ আন কৰ্মচাৰীবৃন্দ আৰু মহা পঞ্জীয়ক আৰু তেওঁৰ অধীনত কাৰ্য্য কৰা পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দক, ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২১ৰ অৰ্থৰ ভিতৰত লোকসেৱক বুলি গণ্য কৰা হ'ব।

সম্পদ আৰু আয়ৰ ওপৰত কৰ ৰেহাই। ১৯৫৭ৰ ২৭ ১৯৬১ৰ ৪৩

৯১। সম্পদ কৰ অধিনিয়ম, ১৯৫৭, আয়কৰ অধিনিয়ম, ১৯৬১ বা সম্পদ, আয়, লাভ বা অৰ্জনৰ সম্বন্ধত তৎসময় বলৱৎ থকা কোনো আন অধিনিয়মিতিত কোনো কথা থকা স্বত্বেও, প্ৰাধিকাৰী প্ৰাপ্ত কৰা ইয়াৰ সম্পদ, আয় লাভ বা মুনাফাৰ ক্ষেত্ৰত সম্পদ কৰ, আয়কৰ বা কোনো আন কৰ আদায় দিবলৈ দায়ী নহ'ব।

অধিনিয়মৰ অধ্যাৰোহন প্ৰভাৱ থাকিব। ৯২। এই অধিনিয়মৰ উপবন্ধাৱলীৰ তৎসময় বলৱৎ থকা কোনো আন বিধিত বা এই অধিনিয়ম ভিন্ন কোনো বিধিৰ বলত প্ৰভাৱ থকা কোনো লেখ্যত তাৰ সৈতে অসঙ্গত হোৱা কোনো কথা থকা স্বত্বেও প্ৰভাৱ থাকিব।

কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্দেশনা দিবলৈ ক্ষমতা। ৯৩। কেন্দ্ৰীয় চৰকাৰে এই অধিনিয়মৰ কোনো উপবন্ধ বা ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলী বা বিনিয়মাৱলীৰ অধীনত প্ৰাধিকাৰৰ কৃত্যৰ সকলো বা যি কোনোটোৰ সম্পাদনৰ বাবে জনসাধাৰণৰ স্বাৰ্থত এইটো তেওঁ আৱশ্যক বুলি ভবাৰ দৰে প্ৰাধিকাৰীক নিৰ্দ্দেশনা দিব পাৰে।

জটিলতা দূৰীকৰণৰ ক্ষমতা। ৯৪। (১) যদি এই অধিনিয়মৰ উপবন্ধাৱলীক প্ৰভাৱী কৰোতে কোনো জটিলতাৰ উদ্ভৱ হয়, কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধাৱলীৰ অসঙ্গত নোহোৱা এনে উপবন্ধাৱলীৰ প্ৰণয়ন কৰিব পাৰে যিদৰে জটিলতা দূৰীকৰণৰ বাবে ই আৱশ্যক বুলি প্ৰতীত হয়ঃ

পৰন্তু এই অধিনিয়মৰ প্ৰাৰম্ভৰ তাৰিখৰ পৰা দুবছৰৰ অৱসানৰ পিছত এই ধাৰাৰ অধীনত কোনো আদেশ দিয়া নহ'ব।

(২) উপ-ধাৰা (১)ৰ অধীনত দিয়া প্ৰত্যেক আদেশ, সংসদৰ প্ৰত্যেক সদনত উত্থাপন কৰা হ'ব।

বিনিয়মাৱলী প্ৰনয়ণ কৰিবলৈ ক্ষমতা। ৯৫। (১) প্ৰাধিকাৰীয়ে, কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমোদনসহ চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ উপবন্ধাৱলী সম্পন্ন কৰিবলৈ এই অধিনিয়ম আৰু ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলীৰ সুসঙ্গত হোৱা বিনিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে বিনিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপৰন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) ধাৰা ১২ৰ উপ-ধাৰা (৪)ৰ অধীনত পঞ্জীয়কৰ কৰ্ত্তব্য আৰু অধিকাৰিত ;

(খ) ধাৰা ১২ৰ উপ-ধাৰা (৫)ৰ অধীনত পঞ্জীয়কৰ পদাৱধি আৰু সেৱাৰ চৰ্ত্তাৱলী ;

(গ) ধাৰা ১৫ৰ উপ-ধাৰা (২)ৰ অধীনত বিদ্যমান বৈচিত্ৰ্যৰ পঞ্জীয়নৰ বাবে স্পষ্টতাৰ নিয়ম, সমতা আৰু স্থিৰতা ;

(ঘ) এটা ৰীতি যিটোৰ বৈচিত্ৰ্যৰ একক আৰু স্পষ্ট আখ্যা ধাৰা ১৭ৰ উপ-ধাৰা (১)ৰ অধীনত আবেদকৰ দ্বাৰা আৰোপ কৰা হব ;

(ঙ) ধাৰা ১৭ৰ উপ-ধাৰা (২)ৰ অধীনত এটা বৈচিত্ৰ্যৰ নামৰ স্বত্ব নিয়োগ পৰিচালনা কৰা বিষয় ;

(চ) এনে সময় যিটোৰ ভিতৰত পঞ্জীয়কে ধাৰা ১৭ৰ উপ-ধাৰা (৩)ৰ অধীনত আন নামৰ প্ৰস্তাৱ কৰিবলৈ আবেদকক অপেক্ষা কৰিব পাৰে ;

(ছ) ধাৰা ১৮ৰ উপ-ধাৰা (১)ৰ খণ্ড (ঘ) ৰ অধীনত আবেদনৰ প্ৰপত্ৰ ;

(জ) ধাৰা ১৯ৰ উপ-ধাৰা (১)ৰ অধীনত পৰীক্ষণৰ সময়ত বীজৰ মূল্যায়নৰ বাবে মানক ;

(ঝ) এজন প্ৰজনকৰ দ্বাৰা জমা দিবলগীয়া বংশানুক্ৰমিক বীজ অন্তৰ্ভুক্ত কৰি বীজ বা প্ৰসাৰ সামগ্ৰীৰ পৰিমান আৰু ধাৰা ২৭ৰ উপ-ধাৰা (১)ৰ অধীনত বিনিৰ্দিষ্ট কৰিবলগীয়া সময় ;

(ঞ) পৰিসীমা আৰু চৰ্ত্তাৱলী, যিবোৰৰ সাপেক্ষে এজন প্ৰজনকে, ধাৰা ২৮ৰ উপ-ধাৰা (২)ৰ অধীনত বৈচিত্ৰ্য উৎপাদন, বিক্ৰী, বজাৰ বা বৈচিত্ৰ্যৰ সংব্যৱহাৰ কৰিবলৈ এজন ব্যক্তিক প্ৰাধিকৃত কৰিব পাৰে ;

(ট) ধাৰা ২৮ৰ উপ-ধাৰা (৩)ৰ অধীনত প্ৰাধিকীকৰণৰ বাবে প্ৰপত্ৰ ।

**কেন্দ্ৰীয় চৰকাৰৰ নিয়মাৱলী প্ৰনয়ণ কৰিবলৈ ক্ষমতা ।**

৯৬। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ উপৱন্ধাৱলী কাৰ্য্যকৰী কৰিবলৈ নিয়ম প্ৰণয়ন কৰিব পাৰে ।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, এনে নিয়মাৱলীয়ে, নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ--

(i) ধাৰা ৩ৰ উপ-ধাৰা (৬)ৰ অধীনত অধ্যক্ষৰ পদাৱধি আৰু পদ পূৰণৰ ৰীতি ;

(ii) অধ্যক্ষৰ বেতন আৰু ভাত্তা আৰু ছুটী, পেন্সন, ভৱিষ্যনিধি, আৰু আন বিষয়ৰ ক্ষেত্ৰত তেওঁৰ সেৱাৰ চৰ্ত্তাৱলী আৰু ধাৰা ৩ৰ উপ-ধাৰা (৮)ৰ অধীনত বৈঠকত উপস্থিত থকাৰ বাবে বে-চৰকাৰী সদস্যৰ বাবে থকা ভাত্তা ;

(iii) প্ৰাধিকাৰৰ বৈঠকৰ সময় আৰু স্থান আৰু ধাৰা ৪ৰ উপ-ধাৰা (১)ৰ অধীনত ইয়াৰ বৈঠকৰ থূল আৰু ধাৰা ৩ৰ উপ-ধাৰা (৭)ৰ অধীনত নিযুক্ত ইয়াৰ স্থায়ী সমিতিৰ ব্যৱসায়ৰ সংব্যৱহাৰক অৰ্ন্তভুক্ত কৰি ইয়াৰ বৈঠকত ব্যৱসায়ৰ সংব্যৱহাৰৰ সম্পৰ্কে থকা প্ৰক্ৰিয়াৰ নিয়মাৱলী ;

(iv) প্ৰাধিকাৰৰ পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দৰ নিযুক্তিৰ সম্পৰ্কে থকা নিয়ন্ত্ৰন আৰু নিৰ্বন্ধনৰ আৰু ধাৰা ৬ৰ অধীনত এনে নিযুক্তিৰ প্ৰক্ৰিয়া, বেতন আৰু ভাত্তা আৰু সেৱাৰ আন চৰ্ত্তাৱলী ;

(v) ধাৰা ৭ৰ অধীনত অধ্যক্ষৰ ক্ষমতা আৰু কৰ্ত্তব্য ;

(vi) অৱধি আৰু চৰ্ত্তাৱলী যিবোৰৰ সাপেক্ষে আৰু ৰীতি যিটোত ধাৰা ৮ৰ উপ-ধাৰা (১)ত নিৰ্দ্দেশিত ব্যৱস্থা সেই ধাৰাৰ উপ-ধাৰা (২)ৰ খণ্ড (ক)ৰ অধীনত নতুন বিদ্যমান বৈচিত্ৰ্যৰ পঞ্জীয়নৰ বাবে উপৱন্ধ কৰিব পাৰে ;

(viii) ধাৰা ৮ৰ উপ-ধাৰা (২)ৰ খণ্ড (ঙ)ৰ অধীনত বীজৰ উৎপাদন আৰু বিক্ৰীৰ ব্যৱস্থাপনৰ বাবে থকা ৰীতি ;

## উদ্ভিদ বৈচিত্ৰ আৰু কৃষক অধিকাৰ সুৰক্ষা অধিনিয়ম,২০০১

(viii) ধাৰা ১১ৰ খণ্ড (খ)ৰ অধীনত খৰচৰ বিষয়ে প্ৰাধিকাৰ বা পঞ্জীয়কৰ দ্বাৰা দিয়া আদেশ ;

(ix) উদ্ভিদ বৈচিত্ৰ্যৰ মহা পঞ্জীয়কৰ বেতন আৰু ভাত্তা আৰু ধাৰা ১২ৰ উপ-ধাৰা (৩)ৰ অধীনত তেওঁৰ ছুটী, পেঞ্চন, ভবিষ্যনিধি আৰু আন বিষয়ৰ ক্ষেত্ৰত থকা সেৱাৰ চৰ্ত্তাৱলী ;

(x) ধাৰা ১৩ ৰ উপ-ধাৰা (১) অধীনত উদ্ভিদ বৈচিত্ৰ্যৰ জাতীয় পঞ্জীত অন্তৰ্ভুক্ত কৰিবলগীয়া বিষয়সমূহ ;

(xi) ধাৰা ১৬ৰ উপ-ধাৰা (১)ৰ খণ্ড (ঙ)ৰ অধীনত এজন ব্যক্তিক প্ৰাধিকৃত কৰাৰ ৰীতি ;

(xii) খণ্ড (ছ)ৰ অধীনত থকা মাচুল আৰু খণ্ড (ঝ)ৰ অধীনত থকা আন সবিশেষ যিবোৰ ধাৰা ১৮ৰ উপ-ধাৰা (১)ৰ অধীনত আবেদনৰ লগত থাকিব ;

(xiii) ধাৰা ১৮ৰ উপ-ধাৰা (১)ৰ পৰন্তুকৰ অধীনত আবেদনৰ প্ৰপত্ৰ ;

(xiv) অৱধি যাৰ ভিতৰত, আবেদন কৰাৰ পিছত, আবেদন কৰাৰ অধিকাৰৰ এটা প্ৰমাণ, ধাৰা ১৮ৰ উপ-ধাৰা (৩)ৰ অধীনত দিয়া হয় ;

(xv) ধাৰা ১৯ৰ উপ-ধাৰা (২)ৰ অধীনত আবেদকৰ দ্বাৰা মাচুল জমা দিয়া হ'ব ;

(xvi) ধাৰা ১৯ৰ উপ-ধাৰা (৩)ৰ অধীনত পৰীক্ষা পৰিচালনাৰ ৰীতি আৰু পদ্ধতি ;

(xvii) ধাৰা ২১ৰ উপ-ধাৰা (১)ৰ অধীনত ইয়াৰ আলোক ছবি বা অংকন অন্তৰ্ভুক্ত কৰি আবেদনৰ বিজ্ঞাপনৰ ৰীতি, চৰ্ত্তাৱলী, পৰিসীমা আৰু পঞ্জীয়নৰ বাবে বৈচিত্ৰ্যৰ বিনিৰ্দ্দিষ্টকৰণ ;

(xviii) ধাৰা ২১ৰ উপ-ধাৰা (২)ৰ অধীনত জাননী দিয়াৰ ৰীতি আৰু তাৰ বাবে দেয় মাচুল ;

(xix) ধাৰা ২১ৰ উপ-ধাৰা (৪)ৰ অধীনত প্ৰতি বিবৃতি প্ৰেৰণ ৰীতি ;

(xx) ধাৰা ২১ৰ উপ-ধাৰা (৬)ৰ অধীনত সাক্ষ্য দাখিলৰ ৰীতি আৰু এনে সাক্ষ্য দাখিল কৰাৰ সময় ;

(xxi) ধাৰা ২৩ৰ উপ-ধাৰা (১)ৰ অধীনত দস্তাৱেজ আৰু মাচুল আৰু ধাৰা ২৩ৰ উপ-ধাৰা (৩)ৰ অধীনত পৰিচালিত কৰিবলগীয়া পৰীক্ষা আৰু অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া ;

(xxii) পঞ্জীয়নৰ এখন প্ৰমাণপত্ৰৰ প্ৰপত্ৰ আৰু আন প্ৰাধিকাৰ য'লৈ ইয়াৰ এটা প্ৰতিলিপি, ধাৰা ২৩ৰ উপ-ধাৰা ৮ৰ অধীনত প্ৰেৰণ কৰা হ'ব।

(xxiii) পঞ্জীয়নৰ এখন প্ৰমাণপত্ৰৰ প্ৰপত্ৰ আৰু আন প্ৰাধিকাৰ য'লৈ ইয়াৰ এটা প্ৰতিলিপি আৰু ধাৰা ২৪ৰ উপ-ধাৰা (২)ৰ অধীনত পঞ্জীয়নৰ প্ৰমাণপত্ৰ জাৰিকৰণৰ বাবে অধিকতম সময় ;

(xxiv) ধাৰা ২৪ৰ উপ-ধাৰা (৩)ৰ অধীনত আবেদকলৈ জাননী দিয়াৰ ৰীতি ;

(xxv) ধাৰা ২৪ৰ উপ-ধাৰা (৬)ৰ অধীনত পুনৰ বিলোকন আৰু নৱীকৰণৰ বাবে মাচুল ;

(xxvi) প্ৰমাণপত্ৰৰ অন্তৰ্বস্তু আৰু ধাৰা ২৬ৰ উপ-ধাৰা (১)ৰ অধীনত এনে অন্তৰ্বস্তু প্ৰকাশৰ ৰীতি আৰু লাভৰ অংশৰ দাবীৰ নিয়ন্ত্ৰণ আহ্বানকৰণ ;

(xxvii) ধাৰা ২৬ৰ উপ-ধাৰা (২)ৰ অধীনত লাভৰ অংশৰ দাবী দাখিলকৰণৰ বাবে প্ৰপত্ৰ আৰু তাত মাচুল জমা দিয়া হ'ব ;

(xxviii) ধাৰা ২৬ৰ উপ-ধাৰা (৩)ৰ অধীনত দাবীৰ আপত্তি দাখিল কৰাৰ ৰীতি আৰু সময় ;

(xxix) ধাৰা ২৬ৰ উপ-ধাৰা (৭)ৰ অধীনত প্ৰসঙ্গ নিৰ্দ্দেশ প্ৰণয়ন কৰাৰ ৰীতি ;

(xxx) ধাৰা ২৮ৰ উপ-ধাৰা (৪)ৰ অধীনত স্বত্বৰ বাবে পঞ্জীয়নৰ এখন আবেদন দিয়াৰ ৰীতি আৰু তাত মাচুল জমা দিয়া হব ;

(xxxi) ধাৰা ২৮ৰ উপ-ধাৰা (৪)ৰ পৰন্তুকৰ অধীনত হকৰ পঞ্জীয়ন সম্পৰ্কে বিবাদ উল্লেখ

কৰাৰ ৰীতি ;

(xxxii) ধাৰা ২৮ৰ উপ-ধাৰা (৫)ৰ অধীনত সংক্ষিপ্ত চৰ্তাৱলী প্ৰমাণপত্ৰ প্ৰবিষ্ট কৰিবলৈ ৰীতি ;

(xxxiii) ধাৰা ২৮ৰ উপ-ধাৰা ৯ৰ খণ্ড (ক)ৰ অধীনত পঞ্জীয়নৰ সময় পৰিৱৰ্ত্তন কৰিবলৈ এখন আবেদন কৰাৰ ৰীতি ;

(xxxiv) ধাৰা ২৮ৰ উপ-ধাৰা (৯)ৰ খণ্ড (খ)ৰ অধীনত পঞ্জীয়নৰ অৱধিৰ বাতিলকৰণৰ বাবে পঞ্জীভুক্ত প্ৰজনক আৰু আন কেতবোৰৰ দ্বাৰা এখন আবেদন কৰাৰ ৰীতি ;

(xxxv) ধাৰা ২৮ৰ উপ-ধাৰা (৯)ৰ খণ্ড (গ)ৰ অধীনত পঞ্জীয়নৰ অৱধিৰ বাতিলকৰণৰ বাবে প্ৰজনক, তেওঁৰ উত্তৰাধিকাৰী, পঞ্জীভুক্ত এজেণ্ট বা পঞ্জীভুক্ত অনুজ্ঞাধাৰীৰ ভিন্ন কোনো ব্যক্তিৰ দ্বাৰা আবেদন কৰাৰ ৰীতি ;

(xxxvi) ধাৰা ২৮ৰ উপ-ধাৰা (৯)ৰ খণ্ড (ঘ)ৰ অধীনত পঞ্জীয়নৰ অৱধিৰ বাতিলকৰণৰ বাবে আবেদন কৰাৰ ৰীতি ;

(xxxvii) ধাৰা ২৮ৰ উপ-ধাৰা (৯)ৰ খণ্ড (ঙ)ৰ অধীনত পঞ্জীয়নৰ অৱধিৰ বাতিলকৰণৰ বাবে আবেদন কৰাৰ ৰীতি ;

(xxxviii) ধাৰা ২৮ৰ উপ-ধাৰা (১০)ৰ অধীনত এনে বৈচিত্ৰ্যৰ পঞ্জীভুক্ত প্ৰজনক বা তেওঁৰ উত্তৰাধিকাৰী বা (আবেদন নোহোৱা) প্ৰত্যেক পঞ্জীভুক্ত এজেণ্ট বা পঞ্জীভুক্ত অনুজ্ঞাধাৰীলৈ জাননী জাৰিকৰণৰ ৰীতি।

(xxxix) ধাৰা ৩৩ৰ উপ-ধাৰা (১)ৰ অধীনত পঞ্জীয়কলৈ জাননী দিয়াৰ ৰীতি ;

(xl) ধাৰা ৩৩ৰ উপ-ধাৰা (২)ৰ অধীনত পঞ্জীভুক্ত এজেণ্ট বা পঞ্জীভুক্ত অনুজ্ঞাপত্ৰধাৰীলৈ জাননী দিয়াৰ ৰীতি ;

(xli) ধাৰা ৩৩ৰ উপ-ধাৰা (৩)ৰ অধীনত আপত্তিৰ জাননী দিয়াৰ সময় ;

(xlii) ধাৰা ৩৪ৰ অধীনত আবেদন কৰাৰ ৰীতি ;

(xliii) ধাৰা ৩৫ৰ উপ-ধাৰা (২)ৰ অধীনত মাচুল জমা কৰাব ৰীতি ;

(xliv) ধাৰা ৩৬ৰ উপ-ধাৰা (১)ৰ অধীনত আবেদন কৰাৰ ৰীতি ;

(xlv) ধাৰা ৩৬ৰ উপ-ধাৰা (২)ৰ অধীনত পঞ্জীয়কলৈ আবেদন কৰাৰ ৰীতি ;

(xlvi) ধাৰা ৩৬ৰ উপ-ধাৰা (৪)ৰ অধীনত জাননী দিয়াৰ ৰীতি ;

(xlvii) ধাৰা ৩৭ৰ উপ-ধাৰা (১)ৰ অধীনত আবেদন কৰাৰ ৰীতি ;

(xlviii) ধাৰা ৩৭ৰ উপ-ধাৰা (২)ৰ অধীনত আবেদন কৰাৰ ৰীতি ;

(xlix) ধাৰা ৩৮ৰ উপ-ধাৰা (১)ৰ অধীনত পঞ্জীয়কলৈ আবেদন কৰাৰ ৰীতি ;

(l) আবেদনৰ বিজ্ঞাপনৰ ৰীতি আৰু পঞ্জীয়কলৈ জাননী দিয়াৰ ৰীতি আৰু বিজ্ঞাপন দিয়া তাৰিখৰ পৰা সময়ছোৱা যাৰ ভিতৰত এজন ব্যক্তিয়ে, ধাৰা ৩৮ৰ উপ-ধাৰা (২)ৰ অধীনত এনে জাননী দিব পাৰে।

(li) ধাৰা ৩৮ৰ উপ-ধাৰা (৩)ৰ অধীনত বৈচিত্ৰ্যৰ নামৰ বিজ্ঞাপনৰ ৰীতি ;

(lii) ধাৰা ৩৯ৰ উপ-ধাৰা (১)ৰ খণ্ড ( ।।।)ৰ অধীনত স্বীকৃত ৰীতি আৰু জৈৱিক নিধিৰ পৰা স্বীকৃত আৰু পোৱা পাৰিতোষিকৰ ৰীতি ;

(liii) ধাৰা ৩৯ৰ উপ-ধাৰা (২)ৰ অধীনত ক্ষতিপূৰণ দাবী আৰু আপত্তি দাখিলকৰণৰ ৰীতি ;

(liv) ধাৰা ৪১ৰ উপ-ধাৰা (৩)ৰ অধীনত জাননী জাৰি আৰু আপত্তি দাখিলকৰণৰ ৰীতি ;

(lv) ধাৰা ৪৫ৰ উপ-ধাৰা (১)ৰ খণ্ড (ক)ৰ অধীনত লাভৰ অংশ গ্ৰহণৰ ৰীতি ;

(lvi) ধাৰা ৪৫ৰ উপ-ধাৰা (২)ৰ অধীনত বীজ নিধি প্ৰয়োগৰ ৰীতি ;

(lvi) ধাৰা ৪৭ৰ উপ-ধাৰা (২)ৰ অধীনত আবেদনত সবিশেষ ;

(lviii) প্ৰাধিকাৰ আৰু ৰীতি য'ত এনে প্ৰাধিকাৰে, ধাৰা ৫০ৰ অধীনত বাধ্যতামূলক অনুজ্ঞাপত্ৰধাৰীলৈ, বৈচিত্ৰ্যৰ পুনৰ উৎপাদন সামগ্ৰীৰ সহজলভ্য কৰিব ;

(lix) ধাৰা ৫২ৰ উপ-ধাৰা (১)ৰ অধীনত আবেদন কৰাৰ প্ৰ-পত্ৰ ;

(lx) সময় যিসকলৰ ভিতৰত ধাৰা ৫৬ৰ উপ-ধাৰা (১)ৰ অধীনত এটা আপীল কৰা হ'ব ;

(lxi) দৰ্খাস্তৰ প্ৰ-পত্ৰ আৰু সবিশেষ য'ত এনে দৰ্খাস্ত ধাৰা ৫৬ৰ উপ-ধাৰা (২)ৰ অধীনত থাকিব ;

(lxii) ধাৰা ৬২ৰ উপ-ধাৰা (১)ৰ অধীনত হিচাপৰ বাৰ্ষিক বিবৃতি প্ৰস্তুত কৰাৰ বাবে প্ৰ-পত্ৰ ;

(lxiii) ধাৰা ৬৩ৰ অধীনত অধ্যক্ষই কাৰ্য্যকৰী কৰা বিত্তীয় আৰু প্ৰশাসনিক ক্ষমতা ;

(lxiv) ধাৰা ৬৮ৰ উপ-ধাৰা (১)ৰ অধীনত এটা বৈচিত্ৰ্যৰ নামৰ ব্যৱহাৰৰ ৰীতি ;

(lxv) ধাৰা ৮১ৰ অধীনত পঞ্জীভুক্ত এজেন্ট বা পঞ্জীভুক্ত অনুজ্ঞাপত্ৰধাৰীৰ প্ৰাধিকৰণৰ ৰীতি ;

(lxvi) ধাৰা ৮৩ৰ অধীনত পঞ্জী বা কোনো আন দস্তাবেজৰ বিষয়বস্তুৰ এটা প্ৰমাণিত প্ৰতিলিপি জাৰিকৰণৰ ৰীতি ;

(lxvii) ধাৰা ৮৪ৰ অধীনত পঞ্জী বা কোনো আন দস্তাৱেজত কোনো প্ৰৱিষ্টিৰ এটা প্ৰমাণিত প্ৰতিলিপি লাভ কৰাৰ বা ইয়াৰ পৰিদৰ্শন কৰাৰ বাবে দেয় মাচুল ;

(lxviii) কোনো আন বিষয় যিটো বিহিত কৰা হয় বা কৰিব পাৰি বা যিটোৰ ক্ষেত্ৰত এই অধিনিয়মে, কেন্দ্ৰীয় চৰকাৰে এই অধিনিয়মৰ উচিত প্ৰয়োগৰ বাবে আৱশ্যক বুলি অভিমত দিয়াত কোনো উপবন্ধ প্ৰণয়ন কৰা নাই বা পৰ্য্যাপ্ত নোহোৱা উপৱন্ধ প্ৰনয়ণ কৰা হৈছে বা উপৱন্ধাৱলী প্ৰণয়ন কৰা হোৱা নাই যিটো কেন্দ্ৰীয় চৰকাৰে এই অধিনিয়মৰ উচিত বাবে আৱশ্যক বুলি অভিমত দিয়ে।

নিয়ম, বিনিয়ম আৰু আঁচনি সংসদত উত্থাপন কৰা হ'ব।

৯৭। এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণয়ন কৰা প্ৰত্যেক নিয়ম, প্ৰত্যেক বিনিয়ম আৰু প্ৰত্যেক আঁচনি, প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হব যেতিয়া ই মুঠ ত্ৰিশ দিন কালৰ বাবে অধিবেশন চলি থাকে, যিটো এখন বা দুখন বা তাতোধিত ক্ৰমাগত অধিবেশনৰে ভুক্ত কৰা হয় আৰু পৰৱৰ্ত্তী বা ক্ৰমাগত অধিবেশনসমূহৰ অৱসানৰ পূৰ্বে উভয় সদনে নিয়ম বা বিনয়ম বা আঁচনিত কোনো সাল-সলনি কৰিবলৈ সন্মত হয় বা উভয় সদনে সন্মত হয় যে নিয়ম, বা বিনিয়ম বা আঁচনি প্ৰণয়ন কৰিব নালাগে, তাৰ পিছত নিয়ম বা বিনিয়ম বা আঁচনি এনে সাল-সলনি ৰূপত প্ৰভাৱী হব বা যথাস্থিতি প্ৰভাৱহীন হব, সেয়ে হলেও এনে সাল-সলনি ৰূপত প্ৰভাৱী হব বা যথাস্থিতি প্ৰভাৱহীন হব, সেয়ে হলেও এনে সাল-সলনি বা ৰদ্‌কৰণে সেই নিয়মৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বৈধতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হব।